ৰঞ্জন

শ্ৰীচন্দ্ৰধৰ বৰুৱা

— ৰঞ্জন —

(বিবিধ কবিতাৰ পুথি)

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰীচন্দ্ৰধৰ বৰুৱাৰ দ্বাৰা

ৰচিত আৰু প্ৰকাশিত।

যোৰহাট, আসাম।

প্ৰথম তাঙ্গৰণ।

সাম্য-প্ৰেচ্;

কলিকতাৰ ৬নং কলেজ স্কোয়াৰত শ্ৰীউপেন্দ্ৰনাথ দাসৰ দ্বাৰা

ছপা কৰা হ'ল।

১২২৭
GOVERNMENT OF ASSAM
Call No.................
DISTRICT LIBRARY

দাম ৮৵০ অনা।

লিখকৰ আগ কথা ।

ইয়াত প্ৰকাশ হোৱা কবিতাবিলাকৰ ভালেখিনি "জোনাকী", "বিজুলী", "বাঁহী" আৰু "আলোচনা"ৰ পাঠকসকলৰ আগৰে-পৰা চিনাকি। এতিয়া তাৰ লগতে আৰু গোটাদিয়েক লিখি, একেলগে ছপাই থ'লোঁ। একেৰাহে ঘিঁউ মৌৰেও আমুৱায, সেই দেখি, দুটি দুটি পাতল কবিতাৰ মাজত, একোটি গধুৰ কবিতা সুমাই দিলোঁ। কোনো কোনো কবিতাত দুটা এটা ইংৰাজী শব্দ সোমাইছে। ইংৰাজী নজনা মানুহে বুজিবৰ কাৰণে, তলত তাৰ যথাসাধ্য উচ্চাৰণ আৰু ভাঙনিও দিয়া হৈছে।

কেতিয়াবা এখন্তেক মেলি চালে, মন ভাল লগাব পাৰিব বুলি আশা কৰি, এই কিতাপৰ নাম "ৰঞ্জন" থোৱা হ'ল। "ৰঞ্জনে" পাঠক পাঠিকাসকলৰ এধানমানো মনোৰঞ্জন কৰিব পাৰিলে, মই কৃতাৰ্থ হ'ম।

মোৰ ভ্ৰাতৃতুল্য মৰমৰ বন্ধু শ্ৰীমান অম্বিকানাথ বৰাই এই কিতাপ ছপোৱাত বহুত বুধি-ভাগ দি আৰু যত্ন কৰি মোক সাহায্য কৰিছে। সেই বাবে তেওঁৰ নথৈ শলাগ লৈছোঁ।

২৭ মাৰ্চ্চ,
১৯২৭।

শ্ৰীচন্দ্ৰধৰ বৰুৱা।

নিৰ্ঘণ্ট

বিষয়				পৃষ্ঠা
বন্দনা	...	...	...	১
স্বদেশ সেৱা	..	...	...	২
ধীৰপন্থা ধীৰেণ	.	...	...	১০
জোনাকী	...	.	...	১৫
অসমীয়া সঙ্কীৰ্ণ মনৰ			...	১৮
ডাঙৰ হোৱাটো ভুল		...	.	২১
আজলী	...	...	...	৩০
মথুৰৰ অহিংসা	...	...	. .	৩২
হাৱা-কৰ	...	...	.	৩৭
বাহী	...	...	...	৪০
হৰনাথৰ হৰ্দম্ প্ৰাৰ্থনা			...	৪২
এফেৰি ভুল	...	...	...	৪৭
স্মৃতি	...	.	..	৫২
মই শিক্ষিত ডেকা...		..	...	৫৮
কা-কা-কাব্যবিশাৰদোঽহং		...	...	৬২
গীতা	...	...	..	৬৭
অসমীয়া ভাষা	.	...	..	৬৯
হঠাৎ "পেট্টিয়ট্"	...	...	..	৭৩
বিজুলী	...	...	.	৭৬

বিষয়	পৃষ্ঠা
জুৰুৰ চাহাব হ'ম	৭৮
আমি ভকত	৮১
শৰতৰ জোন	৮৫
ধনীৰ মোকৰ্দ্দমা	৮৯
দেশৰ উন্নতি	৯৪
চন্দ্ৰ	৯৮
মহাপুৰুষে ভেঁটী খালে	৯৯
শুচি	১০১
ধূলি-কণা মই	১০২
মাছ	১০৩
বামুণ নেৰিবঁা পালে	১০৬
দাঁত আৰু জিভা	১১২
শিক্ষিতৰ কৰ্ত্তব্য জ্ঞান	১১৬
হাকিমী বিয়া ..	১২০

ভুলৰ তালিকা

গুচাবলৈ নথৈ যত্ন কৰাতো, "ৰঞ্জন"ত গোটাদিয়েক ছপাৰ ভুল কেনেবাকৈ থাকি গ'ল। তলত তাৰ তালিকা দিয়া হৈছে। পাঠক পাঠিকাসকলে যেন কিতাপখন পঢ়াৰ আগতে ভুল কেইটা সংশোধন কৰি লয়।

পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
২৫	৬	লগা-ভাগা	লগা-ভগা
৩০	৫	সোণৰৰণীযা	সোণবৰণীয়া
৩৪	৪	দিবঁা	দিবা
৩৮	১৬	নাহ্য	ন্যাহ্য
৭২	২	কাৰ	কৰি
৭৫	১৩	আৰু।	আৰু
৮৬	১	হে বিপদভঞ্জন	হে বিপদভঞ্জন
৮৭	কবিতাৰ শীৰ্ষ	এফোৰ ভুল	এফেৰি ভুল
৯৩	১৫	বাটলৈ চোৰা	বাটলৈ চোবা
৯৪	২	থিৰে	থৰে
১০১	১২	আমাব	আমাৰ
১০৫	৬	ৰান্ধিৰা।	ৰান্ধিৰা,
১১৭	১৫	বান্ধি	বান্ধি
১২১	১১	নকবাওঁ	নকৰাওঁ
১২৪	৬	কাবব	কৰিব

PLEASE HANDLE THE BOOK CAREFULLY.

ৰঞ্জন

বন্দনা

দিয়াঁ দেবি, পোহৰ সুন্দৰ।
আহাঁ কমলিনি, আহাঁ বীণাপাণি,
বোৱাঁ মধুৰ বীণা মনোহৰ।

লোৱাঁ ভক্তি-লোতক-ধাৰ
হৃদয় আসন
চৰণ সেৱন
প্ৰীতি-ফুল উপহাৰ ;

কৰাঁ কৃপা বিতৰণ কৃপাময়ি
দিয়াঁ দিয়াঁ হিয়া পোহৰাই,
আহাঁ বাগ্বাদিনি
তম-হাৰিণি
হৰাঁ হৰাঁ তম তনয়ৰ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

স্বদেশ সেৱা

(১)

কমলে আমাৰ কলেজত গৈ
ডাঙৰ কিতাপ পঢ়ি
ডাঙৰ ডাঙৰ ভাবেৰে মনটো
ভৰাই পেলালে ধৰি।
স্বদেশৰ বাবে ৰং মনে তেওঁ
উচৰগি দিলে প্ৰাণ
থিৰাং কৰিলে স্বাৰ্থ বলি দিব
দেশক কৰিব ত্ৰাণ।
ইয়াকে ধৰ্ম্ম, ইয়াকে কৰ্ম্ম
ইয়াকে লক্ষ ধৰি,
ইয়াকে কৰিম বুলি একেবাৰে
পেলালে প্ৰতিজ্ঞা কৰি।

(২)

কমলে সিহেতু বক্তৃতা কৰে
যʼতে চাৰি জন দেখে
(আৰু) "বতৰ মুকলি স্বাস্থ্য মজলীয়া"
কাকতে কাকতে লেখে।

ঘৰত ইফালে কাণ নকৰোতে
আহাৰ নোহোৱা হʼল
বজালৰ বাৰ বৰতাৰ চাল
লাহে লাহে ভাগি গʼল।

কমলে তেতিয়া ঘূৰাই আকৌ
চালে বিবেচনা কৰি
দেখিলে কথাটো বুজিলে ভুলটো
পেলালে মতটো এৰি।

(৩)

বহু শ্ৰম কৰি বহু ঘূৰি পকি
বোৱাই বহুত ঘাম
কমলে শেহত চাহাবক খাটি
পালে এটা সৰু কাম।

পেটত নেখাই কোনে ক'ত বাৰু
দেশ উদ্ধাৰিব পাৰে ?
জীৱিকাৰ বাট কৰি লোৱাটোহে
আগ কাম সকলোৰে।

তাৰ লগে লগে দেশৰ কামকো
যাব লাগে কৰি কৰি
ইয়াকেহে আৰু ভাল বুধি বুলি
পেলালে কমলে ধৰি।

(৪)

অফিছত বহি কমলে অকণো
কামত নিদিয়ে মন
খালি ভাবি থাকে কিৰূপেনো তেওঁ
উদ্ধাৰিব দেশখন।

আন কেৰাণীৰো বন খতি কৰে
ইয়াৰেই মেল পাতি
চাহাবে এদিন গঢ় গতি চাই
নামটো পেলালে কাটি।

কমলে তেতিয়া ঘূৰাই আকৌ
ভাবি চাই আগ গুৰি
দেখিলে কথাটো বুজিলে ভুলটো
মৰে চন্-মুৰ্ কৰি।

(৫)

নাম কটা বাবে চাহাবৰ প্ৰতি
কমলে যি খং খালে
সেয়েই শেহত বিয়পি বিয়পি
চাহাব জাতকে পালে।

কমলে দেখিলে চাহাববোৰেই
দেশখন লুটি নিলে
দেশৰ উদ্ধাৰ নহয় কদাপি
ইহঁতক নেখেদালে।

এয়েহে ধৰ্ম্ম এয়েহে কৰ্ম্ম
এয়েহে লক্ষ মোৰ
ইয়াকে নিশ্চয় কৰিমেই বুলি
কৰিলে প্ৰতিজ্ঞা ঘোৰ।

(৬)

মহাত্মা গান্ধিৰ অসহযোগৰ
এনেতে উঠিল ঢৌ
জাকে জাকে গৈ জেলত সোমাল
পুঠী খলিহনা ৰৌ।

যাওঁতে বাটত হৈ-ধ্বনি শুনি
মিচিকি মিচিকি হাঁহে
সমাৰোহ কৰি দৰাৰ গতেৰে
মালা পিন্ধি ঘূৰি আহে।

কমলে দেখিলে বঢ়িয়া বুধিটো
শ্ৰমটোও অতি কম
"মহাত্মা" ন'হলে আন কিবা এটা
"আত্মা" হ'মেই হ'ম।

(৭)

কাছাৰি-মুখত গান্ধি-টুপি পিন্ধি
বক্তৃতা আৰম্ভিলে
চাহাববোৰক উধাই মুধাই
খুব গালি পাৰি দিলে

আৰু ক’লে “কেৰে কানি ভাং মদ
নিকিনিবা দিয়া এৰি
ইহঁত ভাগিলে স্বৰাজ আহিলে
খাবা নিজে নিজে কৰি”।

পুলিচে এনেতে গ্ৰেপ্তাৰ কৰি
নিলে ততালিকে ধৰি
দুদিন দুৰাতি তালা চাবি মাৰি
হাজোতত থ’লে ভৰি।

(৮)

হাজোতত পৰি কমলে অলপ
ফাটকৰ জুতি পালে
তেলীশালখন দেখিয়েই তেওঁ
ভয়ঙ্কৰ ভয় খালে।

এইটো বাটো যে সুগম নহয়
এয়েহে ধাৰণা হ’ল
অকলৈ বহি ভাবোতে ভাবোতে
মতটো বদলি গ’ল।

কমলে তেতিয়া ঘূৰাই আকৌ
চালে বিবেচনা কৰি
দেখিলে কথাটো বুজিলে ভুলটো
পেলালে মতটো এৰি।

(৯)

চাহাবক গৈ জনালে কমলে
"হ'লোঁ আৰু মই সৎ"
"এনে কাম আৰু নকৰোঁ নকৰোঁ!"
বুলি লেখি দিলে খত্।

আৰু লেখি দিলে "মতটোকে মোৰ
তেনেই পেলালোঁ এৰি"
এই ৰূপে তেওঁ কোনো প্ৰকাৰেৰে
আহিল ফাটক সাৰি।

অসহযোগীয়ে কমলৰ নাম
"দুৰাত্মা কমল" থ'লে
কমলেও তেও যেনেকেয়ে হক
কিবা এটা "আত্মা" পালে।

(১০)

দুৰাত্মা বোলাত   খঙ্গতে কমল
হ'ল জলি একো নাই
জেলখন তেওঁ   ভৰাই পেলালে
হৈ পুলিচৰ Spy (১)

দুষ্ট কিছুমানে   ভেশছন্ কৰি
চিনিব নোৱাৰা হৈ
কমলক ধৰি   হেপাহ গুচাই
খুন্দা দিলে ভালকৈ।

কমলে ইদৰে   সেকা পাই পাই
ভালকৈ ভাবি চালে।
স্বদেশ সেৱাৰ   ভাবটোকে ঠি
উভালি পেলাই দিলে।

(১) স্পাই—গুপ্তচৰ।

ধীৰপন্থী ধীৰেণ

(১)

জিলাৰ প্ৰধান লোক ধীৰেণ ফুকন
ধীৰপন্থী ধীৰেৰেহে বুজে,
ধীৰে ভাবে, ধীৰে দেখে, ধীৰ সকলোতে
অত্যন্ত ধীৰেৰে ধাৰ শুজে।

(২)

ভাৰতৰ স্বৰাজত নাৰাজ ধীৰেণ
অনৰ্থহে স্বৰাজে ঘটাব,
হিন্দু মছ্‌লেম্ আৰু বামুণ শূদিৰ
কটা-কটি কৰি জাহ যাব।

(৩)

ধীৰেণৰ মতে, আমি কানি-কুনা এৰি
ভুল হব খাজনা কমালে,
চৰ্কাৰে কিহেৰে বাৰু ৰাখিব আমাক
ৰুছ্ সৈন্য ভাৰত সোমালে?

(৪)

ভাৰত ভৰাই থ'ব লাগিব সদাই,
বিলাতী চিপাহী আনি আনি,
ন'হলে ক'লাৰ জাতে বিদ্ৰোহ কৰিলে
কোনে ছুটিয়াব শান্তি পানী ?

(৫)

বিদেশী কাপোৰ সস্তা, মৰগ স্বদেশী,
সস্তা এৰি ধৰিলে মৰগ,
দুখীয়া ভাৰতবাসী প্ৰজাৰ মূৰত
ভাগি আহি পৰিব স্বৰগ।

(৬)

নিজৰ কাপোৰ আমি নিজে কৰি ল'লে
সূতা কাটোতেই দিন যাব,
বন-বাৰি খেতি-বাতি দোকান-পোহাৰ
সকলো কামেই লোপ পাব।

(৭)

ডাঙৰ ডাঙৰ যত সকলো কামতে
বিদেশীহে লাগিব ৰাখিব,
আমাৰ মানুহে পালে এই কামবোৰ
গপতেই ওফন্দি পৰিব।

(৮)

বঙ্গ প্লাৱনত “চান্দা” নিদিলে ধীৰেণে
উগ্ৰপন্থী নামৰ ভয়ত,
ধাৰ কৰি, ধীৰপন্থী নামৰ কাৰণে
দিলে ধন Dyer ফণ্ডত। (১)

(৯)

ধীৰেণে এদিন গৈ বৰ চাহাবক
দেখা কৰি বহু কথা ক’লে,
দেশৰ “হাৱাল” খিনি তেনেই বুজাই
প্ৰতিবিধানৰো বুধি দিলে।

(১০)

“হজুৰেই প্ৰতিনিধি ৰজাৰ আমাৰ
হজুৰৰ হাততে সকলো,
যদিহে নকৰে কাণ, আমাৰ নিচিনা
হোজা লোক নিগমে মৰিলোঁ”।

(১) ডায়াৰ ফণ্ডত—পঞ্জাবৰ জালনিৱালা বাগত গুলি মৰোৱা ডায়াৰ চাহাবৰ সাহায্যাৰ্থে তোলা চান্দাত।

(১১)

“সৰু সৰু লৰাবোৰে ফুৰোতে চাকোতে
বাটে বাটে হৈ-ধনি কৰে,
ততালিকে ধৰি আনি সকলো লৰাকে
টিক্‌টিকী দিয়ক হজুৰে।”

(১২)

“ভাং কানি খাবলৈ যেয়ে হাক দিয়ে
যেয়ে পিন্ধে স্বদেশী কাপোৰ,
সকলোকে হালে হালে আনক সাঙুৰি
ফাটক কৰক ভৰপূৰ।”

(১৩)

“সত্ৰই সত্ৰই জাৰি কৰক নটিছ্‌
এনে কাম কৰিলে শিষ্যই,
গুৰু শিষ্য উভয়কে “চাজা” দিয়া হ'ব
“তাগিদ্‌” বুজিব সুনিশ্চয়।”

(১৪)

স্বজাতিবৎসল সেই ইংৰাজ নন্দনে
শুনি শুনি মানিলে আমনি,
বুলিলে “কৰ্ত্তব্য মোৰ নিজে জানো মই,
যাব পাৰে এতিয়া আপুনি”।

(১৫)

ধীৰেণে ধীৰেৰে চলি চলি এই দৰে
তুটি নাম তুফালে ঘটিলে,
বলিলে তুৰ্ঘোৰ ভণ্ড স্তাৱক এদলে
দেশদ্ৰোহী ইদলে বুলিলে।

(১৬)

শেহত ধীৰেণে গৈ পাৰিলে বুজিব
কেনিও নেপায় তেওঁ ঠাই,
ৰজা ঘৰ প্ৰজা ঘৰ তুই ঘৰতেই
সকলোৱে তেওঁক ঘিণায়।

জোনাকী *

(১)

আছিল অলপ আগে জগত আন্ধাৰ
নিৰল নিমাত ক'তো নাই সুৰ-সাৰ,
পশু পখী আদি কৰি টোপনি-মগন
বহল বিশ্বৰ যেন নাছিল চেতন।

(২)

জোনাকৰ অধিষ্ঠাত্ৰী জোনাকী গোসানী
কোমল হাতেৰে তুলি ল'লে বীণাখনি,
শুৱলা মধুৰ সুৰ বজাব ধৰিলে
নিৰ্জীৱ জগত আজি সজীৱ কৰিলে।

(৩)

চোৰাঁ সোৱা পূবফালে পোহৰ পৰিল
দীঘল দীঘল ৰশ্মি জিলিকি উঠিল,
চিৰা-চিৰ কৰি কাটি আন্ধাৰ কলীয়া
ওলাল জোনাক-ৰশ্মি সোণ বৰণীয়া।

---

* সেই নামৰ মাহেকীয়া কাকত।

(৪)

পৰ্ব্বতৰ টিঙ্গে টিঙ্গে পোহৰ পৰিল
ৰূপৰ দ'লৰ দৰে জিলিকি উঠিল।
নিয়ৰৰ টোপা যত গছৰ পাতত
সৰু সৰু হীৰা হৈ জ্বলে পোহৰত।

(৫)

গছ লতা সকলোৱে নৱ সাজ ল'লে
নিৰ্জীৱ আছিল যেন জীৱদান পালে।
কলি কলি ফুলখিনি গছৰ ডালত
মিচিকি মিচিকি হাঁহি ফুলে পোহৰত।

(৬)

জোনাকৰ ৰশ্মি আহি পানীত সোমাই
ধুনীয়া কৰিছে পানী বৰণ সলাই ;
নানা বৰণীয়া ঢৌৱে নাচিব লাগিছে
পানীৰ জেউতি আৰু দুগুণ চৰিছে।

(৭)

সৰল শুৱনি কেনে ৰাজহাঁহ যুৰি
তধা লাগি চাই আছে মুখামুখি কৰি ;
গুচা নাই কাৰো ভোক কাকো চাই চাই,
নতুবা শুনিছে বীণা নিশবদ হৈ।

(৮)

আন্ধাৰে লুকাই থোৱা পদুমৰ কলি
পোহৰৰ গোন্ধ পাই গ'ল ফুলি ফুলি।
প্ৰকৃতিয়ে মন-মোহা সোণালী সাজেৰে
আদৰিছে জোনাকীক হৰিষ মনেৰে।

(৯)

নেথাকে নেথাকে আৰু নেথাকে আন্ধাৰ
বাজিল যেতিয়া তাঁৰ মধুৰ বীণাৰ ;
বহল জগত হ'ব তেনেই পোহৰ
ওলাল যেতিয়া ৰঙ্গা ৰশ্মি জোনাকৰ।

(১০)

বজোৱাঁ বজোৱাঁ আই বীণা সুমধুৰ
শুনোৱাঁ শুনোৱাঁ আই সুললিত সুৰ ;
ৰৰষাঁ বৰষাঁ আই জ্ঞানৰ পোহৰ
অজ্ঞান আন্ধাৰ আই হৰাঁ জগতৰ।

অসমীয়া সঙ্কীৰ্ণ মনৰ

(১)

(এই) অসম দেশখন ঠেক, (অৰ্থাৎ) সঙ্কীৰ্ণ তেনেই
(খালি) পৰ্ব্বতৰ মাজে মাজে লোংটো মুঠেই।
(ইয়াৰ) মানুহৰ মনবোৰো, দেশৰ দৰেই
সঙ্কীৰ্ণ ন'হব কিয় ?—জৰুৰ হ'বই।
এতেকতে অসমীয়া সঙ্কীৰ্ণ মনৰ
নিশ্চয় কাৰণ একো নাই ন'হবৰ!

(২)

অসমৰ জ্ঞান জুৰি সঙ্কীৰ্ণ নিচেই
সঙ্কীৰ্ণ সঙ্কীৰ্ণ যত অসমৰ নৈ ;
(এই) ব্ৰহ্মপুত্ৰ নৈখনে, খৰালি হলেই
সঙ্কীৰ্ণ আকাৰ ধৰে শুকাই খীণাই।
এতেকতে অসমীয়া সঙ্কীৰ্ণ মনৰ
নিশ্চয় কাৰণ একো নাই ন'হবৰ

(৩)

বহুত নাহৰ গছ দেখিবাঁ প্ৰায়েই
আগলৈ হৈ যায় সঙ্কীৰ্ণ গোটেই।
(তেনে) "নাহৰ সুকাঠী" বোলা অসমীয়া লোক
সঙ্কীৰ্ণ ন'হব কিয় কোৱাঁচোন মোক ?
এতেকতে অসমীয়া সঙ্কীৰ্ণ মনৰ
নিশ্চয় কাৰণ একো নাই ন'হবৰ।

(৪)

অসমীয়া তিৰোতাৰ তপা তালু নাই
মূৰৰ সেওঁতাবোৰ সঙ্কীৰ্ণ কাযেই ;
তদুপৰি ভাবি চোৱাঁ, কত তিৰোতাই
সঙ্কীৰ্ণ গামোচাবোৰ বোৱাটো সঁচাই।
এতেকতে অসমীয়া সঙ্কীৰ্ণ মনৰ
নিশ্চয় কাৰণ একো নাই ন'হবৰ।

(৫)

সঙ্কীৰ্ণ ৰেলৰ বাট অসম দেশৰ
সঙ্কীৰ্ণ সঙ্কীৰ্ণ অতি আলি পথাৰৰ ;
সমূলি সঙ্কীৰ্ণ যত সাঁকো ঢাপ খাল
সঙ্কীৰ্ণ দীঘলী বাট আৰু ঢেঁকীশাল।
এতেকতে অসমীয়া সঙ্কীৰ্ণ মনৰ
নিশ্চয় কাৰণ একো নাই ন'হবৰ।

(৬)

সঙ্কীৰ্ণ চুচীয়া নাও সঙ্কীৰ্ণ লাঢ়নী
সঙ্কীৰ্ণ লোটাৰ ডিঙি সঙ্কীৰ্ণ টিকনি ;
সঙ্কীৰ্ণ কাঁহীৰ কাণ সঙ্কীৰ্ণ পিৰালি
সঙ্কীৰ্ণ নঙ্গলা-মুখ সঙ্কীৰ্ণ পদূলি ।
এতেকতে অসমীয়া সঙ্কীৰ্ণ মনৰ
নিশ্চয় কাৰণ একো নাই ন'হবৰ ।

শ্ৰীবহলৰাম দাস ।

ডাঙৰ হোৱাটো ভুল

(১)

পহুমে আমাৰ বি, এ, পাছ কৰি
পালে ভাবি গুণি চাই
তেওঁৰ সমান অসম দেশত
জ্ঞানী ওপজা নাই।

(২)

শঙ্কৰ মাধৱ ৰাম সৰস্বতী
যদুমণি দামোদৰে
ইংৰাজী নেজানে যেতিয়া কিৰূপে
ঘোৰ মাৰে পহুমেৰে ?

(৩)

আনন্দ ফুকনে নাম কৰা হয়
ইংৰাজীও শিকিছিল
তেও বুলি তেওঁ বি, এ, পৰীক্ষাটো
পাছ জানো কৰিছিল ?

(৪)

হয় graduate (১) আনন্দ বৰুৱা
সিও সিকালৰে কথা
নাছিল যেতিয়া এতিয়াৰ দৰে
উদাৰ শিক্ষাৰ প্ৰথা।

(৫)

দুয়ো আনন্দই অকলৈ পাই
ফাঁকি দি ডাঙৰ হ'ল
বাহাদুৰী কৰি লৰা-লৰিকৈ
ভাল সাৰি গুচি গ'ল !

(৬)

তেওঁলোক দুয়ো পলাই ন'গৈ
থকা হ'লে আজিলৈ
পদুমে দুইকো দেখুৱালে হয়
জাৰি চালি ভালকৈ।

(১) গ্ৰেজুৱেট্—বিশ্ববিদ্যালয়ৰ উপাধিধাৰী।

(৭)

পদুমৰ আগে পাছ কৰা বহু
আছে হয় graduate (১)
কোনো জনো তাৰ পদুমৰ দৰে
নহয় up to date (২)।

(৮)

এনে যুগুতিৰে দেখিলে পদুমে
বহু ভাবি ভাবি চাই
তেওঁৰ নিচিনা গুণী লোক কেও
অসমত হোৱা নাই।

(৯)

গুণ যদি থাকে ৰূপ নহলেও
নহয় অকণো ক্ষতি ;
তথাপিতো জানো ৰূপৰ পাকতো
আছে পদুমৰ ত্রুটি ?

(১) গ্রেজুয়েট্।
(২) অপ্ টু ডেট্—সময়ৰ ঠিক লগে লগে চলিব পৰা।

(১০)

পতুমৰ দৰে Zero powerৰ (১)
চকু পিন্ধা কেই জন ?
কোনে এনে দৰে Milk of Rose (২)
কিনি পানী কৰে ধন ?

(১১)

চুলি কটোৱাৰ কোনে জানে আৰু
এনেটো Fashion (৩) "ভাৰী" ?
কাণৰ ওপৰে কোনে এনে দৰে
কুমতে খুৰায় ডাঢ়ি ?

(১২)

গোঁফ দুতাৰৰ সমানে খুৰাই
সমানে গুৰিতে কাটি
গালত সেন্দুৰ ঘঁহি কোনে ফুৰে
হৈ এনে ধুনীয়াটি ?

(১) জিৰো পাৱাৰৰ—চকু ভালে থাকোতেও, মিছাকৈয়ে ধুনত পিন্ধা, গুণ নথকা।

(২) মিল্ক্ অব্ ৰ'জ্—মুখ শুৱনি কৰিবলৈ ঘঁহা এবিধ মলম।

(৩) ফেচন্—ধুন।

(১৩)

ইমানতো যদি পদুমক তুমি
ৰূপত লেহেৰা ভাবাঁ,
পদুমে শুনিলে এই কথা একা
তোমাক কি কৰে চাবাঁ।

(১৪)

পদুমৰ হেনো আজো ককাকৰ
লগা-ভাগা একনাই
মানৰ দিনতে কোনোবা এখন
বিষয়ো গৈছে খাই।

(১৫)

তেনেহলে হক বিচাৰ কৰিলে
পম ধৰি ধৰি গৈ
পদুমৰ ঘৰ বৰলোক বুলি
পৰিব প্ৰমাণ হৈ।

(১৬)

সম্মানৰ ফালে ভাবি চালে পাবাঁ
পদুমৰ বৰ মান ;
বুলিব নোৱাৰে নহয় কোনেও
থাকিলে এধানো জ্ঞান।

(১৭)

নিজ মৰ্য্যাদাটো পত্নমৰ দৰে
ৰাখিব জানোতা নাই
আত্ম-সম্মানৰ এনেদৰে মোল
বুজিছেনো কেইটাই ?

(১৮)

বাপেকে এদিন তই বোলা বাবে
যিটোহে ঘটনা হ'ল
নকও নেলাগে নধৰিবা আৰু
হোৱা কথা হৈ গ'ল ।

(১৯)

এই অনুক্ৰমে পত্নমৰ চকু
সকলো ফালেই গ'ল ,
কেউ ফালে তেওঁ নিজ মহিমাত
নিজেই বিচুৰ্ত্তি হ'ল ।

(২০)

অসমত তেওঁ নেপালে বিচাৰি
হোৱা কাকো কোনো কালে
তেওঁৰ সমান সকলো প্ৰকাৰে
পৈণত কেউ ফালে ।

(২১)

এতেকতে তেওঁ থিৰাং কৰিলে
অসম দেশত এই
তেওঁৰ যোৰৰ বৰলোক কেও
কেতিয়াও হোৱা নাই।

(২২)

সেই দেখি তেওঁ কোনো মানুহেৰে
এৰি দিলে কথা হোৱা ;
সমূলি এৰিলে কোনো মানুহৰ
ঘৰলৈ তেওঁ যোৱা।

(২৩)

আৰু এৰি দিলে সভা সমিতিত
ভৰি দিয়া কদাচিতো,
যোৰৰ ফেৰৰ মানুহ নেপালে
তেওঁ নো কৰিব কি টো ?

(২৪)

পোৱাও ন'গল পালেও নকৰে
পদুমে চাকৰি কাৰো।
নোৱাৰে কৰিব Capital (১) নাই
বাবে কোনো কাব্‌বাৰো।

(১) কেপিটেল্—মূলধন।

(২৫)

Field(১) থকা হ'লে Law(২) পাছ কৰি
পিন্ধি Gown Necktie (৩)
পদুমে নিতান্ত উকীলবোৰক
খেদালেহেতেন হায় !

(২৬)

দুই ককায়েক হাজিৰা মহৰী
বাহিৰেও কিছু পায় ;
সেই ধনেৰেই পদুমে আমাৰ
স্বাধীন ভাৱেৰে খায় ।

(২৭)

নুফুৰে নেচাকে নকৰে একোকে
নেমাতেও যাকে তাকে ;
খাই আৰু শুই পদুমে কেৱল
ঘৰতে সোমাই থাকে ।

---

(১) ফীল্ড্—ঠাই ।

(২) ল—আইন ।

(৩) গাউন্ নেক্‌টাই—উকীলে পিন্ধা কলপতীয়া দীঘল চোলা আৰু ডিঙিত বন্ধা ৰঙীন কাপোৰৰ গাঁঠি ।

(২৮)

দুষ্ট ল'ৰাবোৰে বাটত দেখিলে
"বলিয়া" "বলিয়া" কৰি
পদুমৰ নাম "পদুম বলিয়া"
জলাই পেলালে ধৰি।

(২৯)

পদুমে শেহত খাটাং বুজিলে
সমাজ খনেই Fool (১)
এনে সমাজত জৰুৰ জৰুৰ
ডাঙৰ হোৱাটো ভুল।

(১) ফূল—নিৰ্বোধ।

আজলী

ফুলান-শুৱনি সৌৰভেৰে ভৰা
ধুনীয়া গোলাপ ঐ
নাহিবি নেলাগে নিপিন্ধোঁ নিপিন্ধোঁ
বৰ ৰঙ্গা-চঙ্গা তই ।
গোন্ধে মলমল সোণবৰণীয়া
গুচোৱা পিযাহ ভোক
নিপিন্ধোঁ কেতেকী কাইটেৰে ভৰা
কাইটে ফুটিব মোক ।
মধুৰ গোন্ধৰ চঁপাও নিপিন্ধো ।
নিপিন্ধোঁ বকুল থুপি
বৰ ওখ গছ চুটি হাত মোৰ
নেপাওঁ হাতেৰে চুকি ।
যুতি গুটিমালি টগৰ শেৱালী
নিপিন্ধোঁ খৰিকাজাই
বৰ গোন্ধ আছে ইমান গোন্ধৰ
নিবিচাৰোঁ ফুল মই ।

অতি আলসুৱা কোমল শুৱলা
দেখি হৰে প্ৰাণ মন
নিপিন্ধোঁ নিপিন্ধোঁ ৰূপহী পছুম
তুমি সূৰুযৰ ধন।
আৰু যত ফুল আছে ফুলি মোৰ
সৰু ফুলনিত এই
খেনো কপটীয়া নহলে আঁভজা
খেনোৰ গোন্ধেই নাই।
মৃদু গোন্ধ থকা কাঁইট নথকা
নোহোৱা আঁভজা গঢ়
হাতে ঢুকি পোৱা চকু জুৰ কৰা
দেখি বেথা লগা বৰ ;
নাই ধুন-পেচ্ নেজানে কপট
মুখত সৰল হাঁহি
ৰঙ্গেৰে পিন্ধিম একোকে নজনা
আজলী মালতীপাহি।

মথুৰৰ অহিংসা

(১)

মথুৰানাথৰ ঘৰ চলাবৰ
একোটো উপায় নাই,
সেই দেখি তেওঁ ঘূৰি ফুৰিছিল
গাৱেঁ ভূঁয়ে বাগিছাই।
খুজি মাগি আনি দুই চাৰি মহা
আছিল দুখেৰে চলি,
"স্বৰাজ কুটিৰ" খোলা বুলি শুনি
ল'লে আহি তাতে খ'লি।

(২)

মথুৰে কেৱল স্বৰাজৰ বাবে
চান্দা খুজি খুজি নিয়ে,
অসহযোগত নলগা লোকক
খুব গালি পাৰি দিয়ে।

গান্ধি-টুপি পিন্ধি গাৱেঁ গাৱেঁ ফুৰি
ইয়াকে কৰোতে কাম,
অহিংস ধৰ্ম্মী নিস্বাৰ্থ কৰ্ম্মী
বুলি খ্যাত হ'ল নাম।

(৩)

কুলী এজনীয়ে হাটত এদিন
কিনিলে বিলাতী শাৰী,
দুই চৰ মাৰি আনি তাক কাঢ়ি
পেলালে মথুৰে পুৰি।
যেই চাহাবৰ মটৰে দূৰত
কৰিলে ঘৰৰ্-ঘৰ্,
অহিংস ধৰ্ম্ম সুঁৱৰি মথুৰে
ভিৰাই ধৰিলে লৰ।

(৪)

মথুৰে এদিন মানুহ চপাই
ক'লে বক্তৃতা কৰি—
"চাহাববোৰক সকলোৱে মিলি
খেদাই পেলোৱাঁ ধৰি"।

“ভাং কানি মদ নেলাগে কিনিব
নিজে কৰি কৰি খাবাঁ,
মাটিৰ খাজনা বিচাৰি আহিলে
টোকোন জোকাৰি দিবাঁ”।

(৫)

“বিলাতৰ অহা কোনো বস্তুকেই
নিকিনিবাঁ কেতিয়াও,
ল’ৰা তিৰোতায়ো ইহঁতৰ বাৰু
দেশত কি খায় চাওঁ।
ধন নেপালেই পলাব ইহঁত
আপুনি স্বৰাজ হ’ব,
স্বৰাজ হলেই নেলাগে কোনেও
মাটিৰ খাজনা দিব।”

(৬)

ইয়াৰ পাচতে ডাৰোগাই আহি
মথুৰক ধৰি নিলে,
সুধি-পুছি চাই হাকিমে শেহত
ছমাহ ফাটক দিলে।

মথুৰে বুলিলে "ঘূৰি আহোঁ বাৰু
ইবাৰ স্বৰাজ লৈ,
ডাৰোগা হাকিম দুইকো এপালি
শিকাম বঢ়িয়াকৈ"।

(৭)

"সহযোগ কৰা সকলো লোককে
নচঁছা শুলত দিম,
ন'হলে বাপেকে ধৰি ধৰি আনি
নেলু ছিঙ্গি তেজ পিম।
অসহযোগৰ কৰ্ম্মীসকলেই
দেশৰ মালিক হ'ম,
চাহাব খেদাই বৰ বৰ কাম
সোপাকে ভগাই ল'ম।"

(৮)

এনেতে হঠাৎ বাহ তিৰোতাৰে
কাছাৰি সোমাই আহি,
মথুৰ-পত্নীয়ে স্বামীৰ ডিঙিত
মালা পিন্ধালেহি হাঁহি।

জোলোকা জোলোকে উঠিল ঘনাই
উৰুলি গগণ ফালি,
জয়-ধ্বনিৰেই মিচিলখনত
খলকি লাগিল খালি।

(৯)

মথুৰে তেতিয়া বন্ধু এজনক
কাষলৈ মাতি নিলে,
নিজে লিখি থোৱা "মথুৰ পত্নীৰ
বাণী"টো ছপাব দিলে।
ওলাবৰ দিনা গায়ন ধুলীয়া
মালা লাগে বুলি কৈ,
দোলাত আৰোহি গায়নে বায়নে
গ'ল গুচি জেললৈ।

হাৱা-কৰ

ব্যৱস্থা সভাৰ এই অসম দেশৰ
মহম্মদ্ ৰফিয়ল্ হুছেন্ মেম্বৰ।
চৰ্কাৰৰ প্ৰিয়, প্ৰতিনিধি ৰায়তৰ
নপতা "মুৰুব্বী" যত মুছলমানৰ।
বৰলাটে বঢ়াবৰ শুনি লোণ-কৰ
ভাবিলে প্ৰস্তাৱ তেৱোঁ কৰিব কৰৰ।
সেয়ে হ'লে চৰ্কাৰৰ চকুত পৰিব
মিনিষ্টাৰ চিনিষ্টাৰ হবও পাৰিব।
শ্বিলং সভাত গৈ প্ৰস্তাৱ কৰিলে
থিয় হৈ, বৰ এটা বক্তৃতা পঢ়িলে :—
"চৰ্কাৰৰ কোনো মতে খৰচে নোজোৰে,
যুদ্ধৰ পাচত এনে ন'হৈ নোৱাৰে।
বাৰেপতি ধনৰ নাটনি বজেটত
ধৰিব নোৱাৰি একো নতুন কামত"।

"এতেকতে প্ৰয়োজন নতুন টেক্সৰ,
মোৰ মতে, হাৱাত লগাওঁ এটা কৰ।
ই দেশৰ হাৱা পানী পোহৰ ডাৱৰ
সকলোৰে চৰ্কাৰেই মালিক ঠাৱৰ।
ভাবি চোৱাঁ, প্ৰতিদিনে প্ৰতিটো মানুহে
খৰচ কৰিছে হাৱা উশাহে উশাহে।
হিচাব কিতাপ একো নেলাগে কৰিব
মূৰেপতি টকাকৈ লগাব পাৰিব।
দুখীয়া সুখীয়া দুয়ো সমানে ভৰিব,
অকল এটকা ৰূপ গাত নেলাগিব।
মানুহ যিমান লাখ, তত লাখ ৰূপ
উঠিব, গুচিব দুখ ধনৰ ধুৰুপ।
ইয়াত কদাপি কাৰো আপত্তি নহয়
ইছ্‌লামৰ মতেৰেও ন্যায্য অতিশয়।"
এনেতে বুলিলে উঠি Finance মেম্বৰে (১)
"প্ৰস্তাৱক শলাগৰ পাত্ৰ সকলোৰে।
চৰ্কাৰৰ পক্ষে মই খুজিছোঁ জনাব
বৰ্ত্তমান এই কৰ নেলাগে লগাব"।

(১) ফিনেন্স্‌ মেম্বৰে—চৰ্কাৰৰ আয় ব্যয়ৰ ভাৰ থকা বিষয়াই

"প্ৰস্তাৱত সাৰ আছে যদিও নিশ্চয়
এতিয়া তথাপি তুলি ল'লে ভাল হয়।"
ৰফিয়লে বোলে "ভাল চেলাম হজুৰ
তুলি ল'ম বাৰু মই প্ৰস্তাৱ জৰুৰ।"

বাঁহী *

(১)

ন'ৰবা ন'ৰবা দেৰি, আকৌ বজোৱাঁ
বাঁহীৰ গুৰলা মাত আকৌ শুনোৱাঁ ;
মধুৰ ৰাগিণী ধৰি
বাঁহীত যতন কৰি
সা ঋ গা মা পা ধা নি সা আকৌ বজোৱাঁ ।

(২)

হিমাদ্ৰিৰ শিখৰত মানস হ্ৰদত
তাহানি বজোৱা সেই সুৰ সুললিত
আৰু যে সিদিনা সৌ পশ্চিম দেশত
বজালাঁ মধুৰ সুৰ সাগৰ পাৰত,
দুইকো মিহলি কৰি
বিতোপন সুৰ গঢ়ি
মানস পাৰত বহি বজোৱাঁ বাঁহীত ।

---

* সেই নামৰ মাহেকীয়া কাকত ।

(৩)

ফুলনি ভৰাই ফুল ফুলক লাহেৰে
সাজক প্ৰকৃতি দেৱী লাহৰ সাজেৰে
বিমল পোহৰ হক
লাহেৰে মলয়া বক
বজোৱাঁ বজোৱাঁ দেৰি, বাঁহী উলাহেৰে।

(8)

বৰষা অনন্তকাল মধুৰ সঙ্গীত
পোহৰেৰে কৰাঁ দেৰি জগত ৰঞ্জিত
স্বৰ্গীয় অমিয়া ঢালি
স্বৰ্গীয় সুৰত তানি
বজোৱাঁ অনন্তকাল বাঁহী সুললিত।

হৰনাথৰ হৰদম্ প্ৰাৰ্থনা

(১)

দয়াময় হৰি,

দিয়া মোক আৰু ধন আৰু মাটি বাৰী
আমাৰ দেশত কৰা চহকী মোকেই।
আন সকলোকে কৰা তেনেই দুখীয়া
সকলোৱে বন্দী বওক মোৰ ঘৰতেই।

(২)

মঙ্গল-আলয়,

কমলৰ ঘৰ মোৰ ঢাপৰ দাঁতিতে,
জহনীত কৰা তাক সবংশে নিধন।
পতিত দৰ্খাস্ত কৰি লৈ মাটিডৰা
বহলাই লওঁ মই মোৰ বাৰীখন।

(৩)

হে দীনদয়াল,
মাণিকৰ খাতখন অতি বিতোপন
বছৰে বছৰে তাত ভাল ধান হয়।
ধনৰ গৰজ এটা কৰি দিয়াঁ তাৰ
কিনি থওঁ খাতখন আধামূলীকৈ।

(৪)

করুণাসাগৰ,
নবীনৰ নাম আছে ধন নহলেও,
যিহেতু বিদ্যাৰ পাকে চৰা মোত্‌কৈ।
ক'লা বেমাৰত তাক মাৰি নিয়াঁ প্ৰভু
অকল ময়েই থাকোঁ নাম-জলা হৈ।

(৫)

বিঘিনি-খণ্ডন,
হৰিয়ে সাজিলে এটা নতুন বঙ্গলা
সকলোৱে কৰে তাক ধুনীয়া ধুনীয়া।
অচিৰতে পুৰি তাক ছাই কৰি দিয়াঁ,
মোৰটো ঘৰকে লোকে বোলক বঢ়িয়া।

(৬)

দৰ্পহাৰী ভগৱান,
গোপালৰ লৰাটোৰ নামটো জ্বলিছে
পঢ়া শুনা স্বভাৱ চৰিত্ৰ বিতোপন।
বেয়া বদ্ নাম এটা উলিয়াই তাক
তুৰন্তে মুচৰি থোৱাঁ হে মধুসূদন।

(৭)

জগন্নাথ,
সিদিনা গোলায়ে মোক ভোট্‌টো নিদিলে
ভালকৈ যেন প্ৰভু এপালি শিকোৱাঁ।
পাঙ্গিছোঁ এখন মই মিছা ফৌজ্‌দাৰী
দুবছৰ মান তাক জেলত ভৰোৱাঁ।

(৮)

কৃপাময় প্ৰভু,
তৰুণৰ পুতেকৰ বুধিটোও চোকা
মোৰটো লৰাত্‌কৈ দেখাতো ধুনীয়া।
এতেকে ডাঙৰ ৰোগ আনি কিবা এটা
কৰি দিয়াঁ তুমি তাক তেনেই ঘুণীয়া।

(৯)

হে দনুজদলন,

তনুৰামে মোক দেখি চেলাম নিদিযে
নেজানোঁ কিৰূপে তাক দিয়াওঁ এসেকা।
তামোল গছৰপৰা পেলাই এদিন
ককালকে ভাঙ্গি থোৱাঁ পাওক পোটোকা।

(১০)

হে কল্যাণময়,

সিদিনা পূর্ণ ই সৌ সাহিত্য সভাত
মোৰ সমানে চাঁদা দিলে চহি কৰি।
নোৱাৰাঁ নে লাওলোৱা কৰি দিব তাক
চুৰ কৰি ঘৰখন চোৰৰূপ ধৰি ?

(১১)

বাঞ্ছাকল্পতৰু,

পাতি দিয়াঁ মোক তুমি ৰায় বাহাদুৰ,
আমাৰ দেশৰ যেন আন কাৰো আৰু ঃ
নহয় খিতাপ একো বহু কাললৈ
ময়ে অকলৈ ম'ৰা-চালি ধৰি ফুৰোঁ।

(১২)

হে বিপদভঞ্জন,

আমাৰ গোসাইজনে কৰে মহতালি
শুনোঁ বোলে তেওঁ হেনো মোক বেয়া পায়।
ভাঙ্গি ছিঙ্গি সত্ৰখন কৰি ছাৰখাৰ
বেগতে তেওঁক প্ৰভু নিয়া সৰকাই।

(১৩)

ভকতবৎসল,

সকলো চাহাববোৰে মোকেহে চিনক
অকল ডাঙৰ বুলি মোকেই জানক।
সদাই খাতিৰ যেন মোকেই কৰক
আন লোক চকু পুৰি মৰক মৰক।

এফেৰি ভুল

(১)

গগণে যেতিয়া চাম্‌লাটো পিন্ধি
কাছাৰিত থিয় দিলে,
বহুত মানুহে ভাল হ'ল বুলি
ন'থৈ আনন্দ পালে।
লেখা পঢ়া ভাল স্বভাৱ বিনীত
গপ গাপ একো নাই,
গগণৰামৰ ভালটো দেখিলে
সকলোৱে ভাল পায়।

২)

উকীল কামত গগণৰামৰ
কেনেবাটো দেখি গতি,
বন্ধুসকলে চাহাবক খাটি
পেলালে হাকিম পাতি।

হাকিম হয়েই গগণে তুৰন্তে
চাহাবী টুপিটো ল'লে,
আগৰ চিনাকি অনেকৰ চিন
ততালিকে পাহৰিলে।

(৩)

ওপৰৱালাৰ মনৰ জোখাৰে
কৰি কৰি গৈ কাম,
গগণে ঘনাই "প্ৰমোচন" লৈ
জলাই পেলালে নাম।
মনৰ জোখাৰে কাম কৰি কৰি
আৰু কিছু দিন ভালে,
গগণে হঠাৎ নভবা নিচিন্তা
বৰ কাম এটা পালে।

(৪)

চিভিল্ লিষ্টত গগণৰ নাম
একেটা জাঁপেই গৈ,
লগৰ সকলো নেটিভ্‌বোৰৰ
উঠিল ওপৰ হৈ।

মনটোও আৰু সেই অনুক্ৰমে
অতিক্ৰমি সকলোকে,
চাই থাকোতেই বিয়াগম হৈ
উঠি গ'ল দোপে দোপে।

(৫)

গগণে এতিয়া চাহাব দেখিলে
নেটিভ্ নিচিনা হয়,
খানা খাবলৈ চাহাবে মাতিছে
বুলি মিছাকৈয়ে কয়।
বন্ধু বান্ধৱৰ ঘৰত গগণে
ভুলতো নিদিয়ে ভৰি,
বাটত দেখিলে চেলাম নিদিলে
চায় চকু ৰঙা কৰি।

(৬)

দেখা কৰোঁ বুলি কোনোবাটো যদি
দেশৰ মানুহ যায়,
গগণে মনতে গালি পাৰি উঠে
বৰ আহুকাল পায়।

এৰাব যদিহে নোৱাৰে তেতিয়া
বাৰণ্ডাতে থিয় হৈ,
"তুমি অহা বাবে দিগ পালোঁ" বুলি
আগতে পেলায় কৈ।

(৭)

গগণে সদাই গুণে মনে মনে
তেওঁ নেজী তৰা হ'ল,
অলপ কথাৰ কাৰণে মাথোন
খুঁত্ এটি বৈ গ'ল—
কামে কায়দাই চলনে ফুৰণে
চাহাবেই তেওঁ Full, (১)
ভাৰতবৰ্ষত উপজিহে খালি
কৰিলে এফেৰি ভুল।

(৮)

চাহাববিলাকে গগণক দেখি
মনে মনে বৰ হাঁহে,
কোৱা-কোৱি কৰে "নেটিভ্ জাতৰ
গতি তেও এনেটোহে"।

(১) ফুল্—পূৰা।

দেশৰ মানুহে গগণক দেখি
তেনেই বিচুৰ্ত্তি খালে,
সকলোৱে বোলে "গপতে ল'ৰাটো
সমূলি নষ্ট পালে"।

স্মৃতি

(১)

পৰেনে মনত সেই ৰিণিকি মনত পৰা
মলয়া বায়ুৰ দৰে মুকলি মুৰেৰে উৰা
চিনা জনা নাই এৰো
দেখা নাই কোনে' কাকো
আপোন মনেৰে দুয়ো আপুনি উমলি ফুৰা ?

(২)

আছেনে মনত সেই হঠাৎ এদিন গৈ
দেখা দেখি হোৱা দুয়ো কদম তলত সেই
চকুত চকুটি পৰি
আকৌ আহিল ঘূৰি
হিয়াৰ কথাটি কিবা বেগতে সলাই লৈ ?

(৩)

আছেনে মনত সেই চাবলৈ মন ষোৱা
চল চাই চেগ্ মাৰি লুকাই লুকাই চোৱা
চাবল'কো মন যোৱা
চাবও নোৱাৰা হোৱা
চকুত পৰিলে চকু ঠাইতে তললৈ চোৱা ?

(৪)

আছেনে মনত সেই লাজত ৰঙাটি হোৱা
আছেনে মনত সেই ঘনাই উশাহ লোৱা
ঘনে ঘনে লাজ পোৱা
আকৌ দুনাই চোৱা
দুইৰো দুইকো চাই হেপাহ নুগুচা হোৱা ?

(৫)

আছেনে মনত সেই দেখি থাকি ভাল পোৱা
অলপ নেদেখা হ'লে থাকিব নোৱাৰা হোৱা
একোতে নপৰে মন
কিবা চাটি-ফুটি খন
কিবা বুলি কিবা কৰা ঘনাই বাটলৈ চোৱা !

(৬)

আছেনে মনত সেই কিবা ভাবি ৰ লগা
কিবা ভাবি ভাবি সেই একে থিৰে চাই থকা
আগ নাই গুৰি নাই
ভাবোঁ মানে বাঢ়ি যায়
ভাবোতে ভাবোতে সেই বেয়া লাগি ভাল লগা ?

(৭)

আছেনে মনত সেই দেখিলে উথলি যোৱা,
নেলাগে ওলাব বুলি যতনেৰে ঢাকি থোৱা
ৰঙৰ হাঁহিটি সেই
বিৰিঙি ওলাই গৈ
লাজ-ওৰণিৰে আৰু ঢাকিব নোৱাৰা হোৱা ?

(৮)

আছেনে মনত সেই মাতোঁ বুলি আগ বঢ়া
মাতিব নোৱাৰি পাচে, ধৰা পৰি গুচি অহা
ঘনে পতি আগ বঢ়া
ঘনে পতি ধৰা পৰা
'ঘনে পতি তাকে দেখি ঠাইতে মিচিকি হঁহা ?

(৯)

আছেনে মনত সেই প্ৰথমতে কথা হোৱা
ওৰা পাতি লওঁতেই জৰ ঘামে ঘামি যোৱা
শুনি বেথা লগাকৈ
ক'ম বুলি ভাবি থৈ
হুঁটা-মুটাকৈ সেই কিবা বুলি কিবা কোৱা ?

(১০)

আছেনে মনত সেই নিজন যমুনা-ঘাট
ডুবৰিৰে ঢকা সেই যমুনা দাঁতিৰ বাট
বনৰ ধুনীয়া ফুল
যমুনাৰ "কুল্-কুল্"
দূৰৰ গাৱঁত মতা কুলিৰ শুৱলা মাত ?

(১১)

আছেনে মনত সেই যমুনাত গা ধোৱা
পানী ঘুৱলিত বহি থাকোতে ডুপৰ হোৱা
বালিত পুখুৰি খানি
লিৰিকি বিদাৰি পানী
নভগা-নিছিগা সেই মিছামিছি কথা হোৱা ?

(১২)

ওপৰে আকাশ নীলা দেখি মন মোহ যোৱা
তলত বননি শ্যাম দেখি চকু জুৰ হোৱা
আছেনে মনত সেই
যমুনা-পাৰত গৈ
ভাল পাওঁ বুলি দুয়ো সৰল শপত খোৱা ?

(১৩)

আছেনে মনত সেই পচোৱা বতাহ মৰা
চাই থাকোতেই সেই থিতাতে আন্ধাৰ পৰা
পচোৱা বতাহে পাই
কেনিবা উৰাই লৈ
ততালিকে সাগৰৰ দুইকো দুপাৰ কৰা ?

(১৪)

আজিও যমুনা বয় কৰি সেই "কুল্ কুল্"
আজিও কুলিয়ে মাতে ফুলে বনৰীয়া ফুল
আছে সি যমুনা-ঘাট
দুবৰিৰে ঢকা বাট
শ্যামল বননি সেই, সেই কদমৰ মূল ।

(১৫)

এতিয়াও কেতিয়াবা সেই ঘাটল'কে গৈ
যমুনাৰ পানী চাওঁ শ্যামল পাৰত বৈ
বহোঁ সেই বননিতে
ফুৰোঁ সেই বাটে বাটে
শুদা লাগে মন, নাই আগৰ অমিয়া সেই।

(১৬)

নোৱাৰিলোঁ পাহৰিব অতীতৰ স্মৃতি সেই
কিবা দেখোঁ ভাল পাওঁ ভাবি থাকি অকলৈ
সদাই মনতে গুণোঁ
নহয় সিদিন পুনু;
য'তে আছোঁ থাকোঁ ভালে, কৰো অভিলাষ এই।

মই শিক্ষিত ডেকা

(১)

(মই) নতুন যুগৰ ডেকা
(মোৰ) নতুন শিক্ষা একা !
শিক্ষিত ডেকা, সেওঁতা ফালোঁ বেঁকা
(মোৰ) ৰীতি নীতি একা-চেকা ।

(২)

(মই) মুখেৰে বুলিম যিটো
কামত নকৰোঁ সিটো ;
(মই) শিক্ষিত ডেকা, (মোৰ) কথা এঁকা-বেঁকা
(তুমি) জানিব লাগিব সিটো ।

(৩)

(মই) দেশৰ প্ৰধান লোক
শুদা নেভাবিবাঁ মোক ;
দেশ উদ্ধাৰৰ কাৰণে লাগিছোঁ
ঠিক যেনে চেনী জোক ।

PLEASE HANDLE THE BOOK CAREFULLY.

(৪)

(মই) হাতেৰে নধৰোঁ বন
নখটাওঁ ধন মন ;
মুখেৰে মালিহা মাৰি মাৰি খালি
উদ্ধাৰিছোঁ দেশখন ।

(৫)

(মোৰ) গুণি গাঁথি ভাবি চাই
(একো) কৰাটো সহজ নাই ;
হঠাৎ মনত যিহকে খেলায়
কৰি দিওঁ ঘপৰাই ।

(৬)

মোৰ মতটোহে ৰ'ব
লোকক নিদিওঁ ক'ব ;
আনৰ মতক কাণ পাতি মই
শুনাটোও কিয় হ'ব ?

(৭)

ৰাখোঁ আত্ম-সম্মান
লোকক নকৰি মান
বুঢ়া-মেঠা, আই বোপাই, ককাই
কাকো এধানো মান ।

(৮)

(আছে) তাহানিখনেই শিকা
কলেজতে কিবা টিকা ;
(আৰু) নেলাগে শিকিব পঢ়িব শুনিব
মই শিক্ষিত ডেকা।

(৯)

যেনে মন যায় কৰোঁ
যেনে গতি দেখোঁ ধৰোঁ ;
বেদ বাইবেল্‌ কোৰাণ নেমানোঁ
সমাজ নেলাগে কাৰো।

(১০)

(মোৰ) বুধিৰ যেনেহে চোক
লোকে ভয় কৰে মোক ;
সঁচাকে ভঙ্গাওঁ মিছাকে ৰজাওঁ
(মই) কেনে বুধিয়ক লোক !

(১১)

খিচিৰী ভাষাহে কওঁ
খিচিৰী খাৱন খাওঁ ;
পিন্ধন চলন খিচিৰী ন'হলে
সমূলি আচল পাওঁ।

(১২)

(তুমি) মিছাতে পেপুৱা হৈ
নেলাগে ভাবিব ঐ ;
উৰণ ভ্ৰমণ দুইৰো মাজত
হওঁ কিবা এটা মই।

(১৩)

নহওঁ এৰাঁ, নহলোঁ দৈ
থাকিলোঁ মাজতে কুৰুচা হৈ ;
মুঠতে বুজিবাঁ কিম্ভূত কিবা
শিক্ষিত ডেকা মই।

কা-কা-কাব্যবিশাৰদোঽহং

(১)

শুনা শুনা শুনা শুনা মোৰ বচনং
কাব্যবিশাৰদ মই, (এই) মস্ত খবৰং :
পণ্ডিতৰ ধূমকেতু
ভাষা সংস্কাৰৰ হেতু
ধৰিছোঁহি পৃথিবীত নৰ জনমং ;
(অহো) কাব্যবিশাৰদোঽহং ।

(২)

লৰাশিক্ষা জ্ঞানোদয়
আদি যত শাস্ত্ৰচয়
পঢ়ি, চিৰাচিৰে ফালি, কৰি খতমং,
ৰত্নমালা মেলি চালোঁ
দুপাততে তত্ত্ব পালোঁ
তিমানতে তুলি থ'লোঁ, কৰি প্ৰণামং ;
(অহো) কাব্যবিশাৰদোঽহং ।

(৩)

অনন্ত জ্ঞানৰ নিধি
পানী শৰাধৰ বিধি
আৰ্জিলোঁ অনন্ত জ্ঞান, কৰি পঠনং ;
হিতোপদেশৰ শ্লোক
চাণক্যৰো সোধাঁ মোক
দুই চাৰি কৰি থোৱা আছে মুখস্থং।
পঞ্চ সৰ্গ ৰঘুবংশ
দুদিনতে কৰি ধ্বংস
ল'লোঁ "কাব্যবিশাৰদ" দীৰ্ঘ লাঙ্গুলং।
(অহো) কাব্যবিশাৰদোঽহং।

(৪)

ভাবিলোঁ উভতি চাই
কিবা এটা হ'লোঁ মই
কৰিব লাগিল কিবা এটা নতুনং ,
আন লোক যায় যেনি
ময়ো যদি যাওঁ তেনি
দীৰ্ঘ লাঙ্গুলৰ মোৰ কিবা সুফলং ?
(অহো) কাব্যবিশাৰদোঽহং।

(৫)

মাতৃভাষাটোকে ধৰি
ভাঙ্গি ছিঙ্গি কাটি মাৰি
কৰি দিওঁ এটা নৱ ভাষা স্রজনং ;
ইয়াকে প্রতিজ্ঞা কৰি
খামুচি কলম ধৰি
কটিত টঙ্গালি বান্ধি লাগিছো অহং ।
(অহো) কাব্যবিশাৰদোঽহং ।

(৬)

এই ভাষা ভুল বুলি
চিয়ৰিম টেঁটু ফালি
গঢ়িম সংস্কৃত কৰি নতুন ভাষাং ;
পাতক কৰিম "পত্র"
ভাত গুচি হ'ব "ভত্র"
কাণক "কর্ণ," নাকক "নর্ক" বোলাম খাটাং ।
(অহো) কাব্যবিশাৰদোঽহং ।

(৭)

তেনেই অশুদ্ধ "চকু"
শুদ্ধ হ'ব হ'লে "চখু"
সংস্কৃতৰ "চক্ষু" পদ তাৰ প্ৰমাণং ;

কেৰে নুবুলিবাঁ "ঘৰ"
আজি ধৰি বোলাঁ "গৰ"
"গৃহ"হে সংস্কৃত কথা "ঘৃহ" নহয়ং।
(অহো) কাব্যবিশাৰদোঽহং।

(৮)

এই যে আছে ব্যাকৰণ
নাস্তি নাস্তি প্ৰয়োজন
অভিধান পুৰি দিয়াঁ, তেনেই ভুলং ;
"ঋষভোক্ত" অভিধান
"বৃষভোক্ত" ব্যাকৰণ
ৰচাব লাগিছোঁ কৰি অতি নিভুৰ্লং।
(অহো) কাব্যবিশাৰদোঽহং।

(৯)

বোলক বোলক মূৰ্খ
তথাপিতো নেৰোঁ তৰ্ক
সাজিম নতুন ভাষা "গ-দ-জ-ধ-লং ;"
গাৱেঁ গাৱেঁ ঘৰে ঘৰে
চলি যাব ফৰা-ফৰে
ঠিক যেনে ৰেল-গাড়ী, কৰি ঘৰ্ঘৰং।
(অহো) কাব্যবিশাৰদোঽহং।

(১০)

কণ কুমাৰে বগীবামে
শলাগিব পাৰে মানে
"চাৱাছ্ চাৱাছ্" ইতি কৰি গৰ্জ্জনং ;
জুৰি কি উজান ভাটী
নাম যাব ফুটি ফাটি—
"ধন্য ধন্য জধল্-গোবৰ্ বিষ্ঠা বলধং।"
(অহো) কাব্যবিশাৰদোঽহং ।

গীতা

গীতাকাৰ,
হিয়া-ভৰা ভক্তি ঢালি তোমাৰ পাৱত
কৰোঁ সেৱা কোটি কোটি বাৰ।
শাস্ত্ৰৰ সাগৰ মথি
উদ্ধাৰিলা অমূল্য ৰতন,
কৰ্ত্তব্য প্ৰধান বুলি
ফুঁকিলা গভীৰ শিঙা নিষ্কাম ধৰ্ম্মৰ,
প্ৰচাৰিলা উচ্চ ধৰ্ম্ম মানৱ কুলৰ
কৃতাৰ্থি ভাৰত ভূমি।
তাপিতক তাৰি
বোৱালা শান্তিৰ জুৰি,
অবিশ্ৰামে শান্তি সোঁত বোৱালা ধৰাত
জগতৰ গুৰু তুমি,
তৱ "বৰ্ত্তানুবৰ্ত্তন্তে" সমস্ত জগত।

বৈজ্ঞানিক জগতেও, কুৰি শতিকাৰ
নোৱাৰে এৰাব হাত
বিমল উদাৰ অতি তোমাৰ মতৰ।
তোমাৰ পথেই মাত্র
একমাত্র পথ জগতৰ।
এতেকতে,
কোটি কোটি সেৱা মোৰ তোমাৰ পাৱত
কোটি কোটি সেৱা মোৰ তোমাৰ ধৰ্ম্মত।

অসমীয়া ভাষা

Damn[১] অসমীয়া নোৱাৰি লেখিব
go to devil হক[২]
ইংৰাজী idea[৩] express[৪] নহয়
নাই wordৰ stock.[৫]
Quarter hour brain খটালোঁ[৬]
মিছাতে কৰিলোঁ try[৭]
কটা-কুটা কৰি এপিঠি কাগজ
spoil[৮] কৰিলোঁ হায়।

(১) ডেম্=এষাৰ ইংৰাজী বেযা গালি আৰু শাও। (২) গ' টু ডেভিল্ হক=অধঃপাতে যাওক। (৩) আইডিয়া=ভাব। (৪) একৃচ্প্ৰেচ্=প্ৰকাশ। (৫) ওৱৰ্ডৰ্ ষ্টক্=শব্দৰ ভৰাল। (৬) কোৱাৰ্টৰ্ আৱাৰ্ ব্ৰেণ্ খটালোঁ—পোৱা ঘণ্টা মগজ খটালোঁ। (৭) ট্ৰাই=চেষ্টা। (৮) স্পইল=নষ্ট।

লেতেৰা grammar[১] pronunciation[২]
কিবাকিবি বাং বিং
Figure[৩] নায়েই phrase[৪] idiom[৫]
awfully wanting [৬]
বানানৰ আউল নেভাগে নিছিগে
ভাবোঁ মানে বাঢ়ি যায়
High thought [৭] বোৰ লেখি দিবলৈ
এটি কথাও নাই।
Nice picture [৮] কঠুৱা কথাৰে
লেখিলে কঠুৱা হ'ব
Fine Fine [৯] ভাব নোৱাৰি মিছাতে
পানীত পৰিব দিব।

(১) গ্ৰামাৰ = ব্যাকৰণ। (২) প্ৰনন্‌চিয়েচন্ = উচ্চাৰণ। (৩) ফিগাৰ = অলঙ্কাৰ। (৪) ফ্ৰেজ্ = বাক্যাংশ বা খণ্ডবাক্য। (৫) ইডিয়ম্ = ভাব প্ৰকাশ কৰিবলৈ সৰু সৰু ধুনীয়া সহজ কথা। (৬) অফুলী ওৱাণ্টিং = ভীষণৰূপে নাইকিয়া। (৭) হাই থট্ = ওখ ভাব। (৮) নাইচ্ পিক্‌চৰ্ = ধুনীয়া ছবি। (৯) ফাইন্ ফাইন্ = মিহি মিহি।

কোনে ক'ব পাৰে লেখা বেয়া হয়
লেখিব নেজানোঁ গুণে ?
মোৰ দোষ নাই ভাষাটোহে বেয়া
জনা লোকে তাক জানে।
A B C. (১) পঢ়িলোঁ, কলেজ ঘেলালোঁ
পৰীক্ষা কৰিলোঁ পাছ্
টোপোলা টোপোলে বেতন ভুগিছোঁ
দিনৌ খেলিছোঁ তাছ্।
কোনে ছুটী ল'ব promotion (২) পাম
ইয়াবো ৰাখিছোঁ বুজ
তেও যদি মোক নজনা বুলিবা
তুমি এটা great goose (৩)
বয়স বাঢ়িলে pension (৪) লৈ
ভেমতে ওফন্দ্ খাম
মিটিঙত চকি আগত নেপালে
শাও দি উভতি যাম।

(১) এ, বি, চি। (২) প্ৰমোচন। (৩) গ্ৰেট্ গুজ্ = বৰ ৰাজহাঁহ, ইংৰাজী গালি। (৪) পেন্সন।

Nasty (১) ভাষাৰ কথাও নেভাবোঁ।
Waste (২) নকৰোঁ কাল
লোকৰ জগৰ খুচৰি খুচৰি
Society (৩) কৰিম ভাল।
Damn (৪) অসমীয়া মুখুনোঁ নপঢ়োঁ।
নেলেখোঁ নধৰোঁ কাপ।
নাম শুনিলেও Damn Damn বুলি
দূৰতে ধৰিম জাপ।

(১) নেষ্টি = লেতেৰা। (২) ওৱেষ্ট্ — অপব্যয।
(৩) চচাইটি = সমাজ। (৪) ডেম্।

হঠাৎ "পেট্ৰিয়ট্" (১)

(১)

আমি হঠাৎ "পেট্ৰিয়ট্" (১)
(আমাৰ) হঠাৎ মহৎ মত্
আন কোনো লোকে আমাৰ মতৰ
নোৱাৰে ধৰিব তৎ।

(২)

আমিহে সকলো জানোঁ
জনা নাই আৰু কোনো
আমাৰ বাহিৰে নাই নাই জ্ঞান
কাৰো এধানি মানো।

(১) দেশহিতৈষী।

(৩)

আমাৰ কথাই বেদ
(আমি) য'তে যাওঁ ত'তে ভেদ
(আমি) আজি Extremist [১], কালি moderate [২]
পৰহি retrograde [৩]।

(৪)

(আমি) ঘনাই সলাওঁ ৰীতি
(আমাৰ) হঠাৎ বদলে নীতি
(আমি) যেনে মাছ দেখোঁ তেনে জাল গোথোঁ
ইটি এৰি ধৰোঁ সিটি।

(৫)

(আমি) নুশুনোঁ যুক্তি কাৰো
নেমানোঁ প্ৰমাণ আৰু
আমাৰ লগত মত নিমিলিলে
তুমি বিয়াগম গৰু।

(১) একৃষ্টিমিষ্ট্ = উগ্ৰপন্থী।
(২) মডাৰেট্ = ধীৰপন্থী।
(৩) ৰিট্ৰগ্ৰেড্ = পাচ হোঁহকা

(৬)

আমি বুজাটোহে সঁচা
ইবোৰ সকলো মিছা
আমাৰ নিচিনা কাৰ আছে আৰু
বুধিটো জোঙ্গালি চঁচা ?

(৭)

আমি কৰা মতে ধাৰ্য্য
চলিব দেশৰ কাৰ্য্য
দেশখন খালি আমি কেজনাৰে
বাপতি সাহোন ন্যায্য ।

(৮)

আমিয়েই খালি সভ্য
আমিহে অকল নব্য
(আমি) আতৰি আতৰি ভেকুৰি থাকোতে
চুকতে হঠাৎ ভব্য !

বিজুলী

(১)

নোলায় নোলায় আৰু নোলায় নোলায়
আমনি লাগিল মোৰ বাট চাই চাই
চকু নপচৰাকৈ
তধা লাগি চাই চাই
মিছাতেন্তে থৰ হ'লোঁ নোলায় নোলায়।

(২)

আকাশৰ ওপৰত সোণালী বিজুলী
ক'লা সাজ পিন্ধি হৈ দুগুণে সোণালী
আহি চকা-মকাকৈ
মন মোহি থৈ গৈ
লাজত মিচিকি হাঁহি, লুকাল সমূলি।

(৩)

চাওঁতে চাওঁতে মোৰ লাগিল ভাগৰ
লাজত বিজুলী মোৰ নোলাল পুনৰ
লাজেই প্ৰকৃতি তাৰ
লাজ তাৰ অলঙ্কাৰ
লাজৰ গুণেই তাৰ ইমান আদৰ।

(৪)

লুকুৱাঁ লুকুৱাঁ বেলি লুকুৱাঁ এবাৰ
কৰাঁহি ডাৱৰ তুমি আকৌ এন্ধাৰ
ধীৰেৰে মলয়া ব'ক
মন প্ৰাণ জুৰ হক
ওলাওক বিজুলী মোৰ আকৌ এবাৰ।

(৫)

ওলোৱাঁ বিজুলী দেবি এবাৰ ওলোৱাঁ
এবাৰ মাথোন আৰু দিশ পোহৰোৱাঁ
ক'লা ওৰণিৰে সেই
তেনে চকা-মকাকৈ
মিচিকি হাঁহিটি মাৰি এবাৰ ওলোৱাঁ।

জরুৰ চাহাব হ'ম

(১)

এইবাৰ উপজিলে নেটিভ্ নহওঁ
এনে বদ্‌নাম আৰু নথওঁ নথওঁ
নেটিভ্ লেতেৰা জাত
হাতেৰেই খায় ভাত
নেটিভ্ নিগাৰ্ নাম নলওঁ নলওঁ।

(২)

পানী এৰি toilet paper (১) ধৰিলোঁ
পাচোটা চাহাবে নিয়া "মেম"কে আনিলোঁ
কাটাৰে চেকীয়া খালোঁ
ইংৰাজী গান গালোঁ
কত দিন হ'ল আজি চুৰিয়া এৰিলোঁ !

(১) টইলেট্ পেপাৰ = চাহাব সকলে শৌচৰ ঘৰত, পানীৰ সলনি ব্যৱহাৰ কৰা এবিধ কাগজ।

(৩)

উঁৰি কৰি লগুৱাক চেলাম শিকালোঁ।
"হজুৰ" নোবোলা বাবে তলপ্ কাটিলোঁ।
জাতিভেদ এৰি দিলোঁ।
কত নো মদকে খালোঁ।
Hat Coat (১) পিন্ধি পিন্ধি কতনো ঘেলালোঁ!

(৪)

তেনেই সলালোঁ নাম নোৱাৰোঁ বুজিব
বিলাতী নে অসমীয়া ততকে ধৰিব
বিলাতী সপোন দেখোঁ
বিলাতী লেখেৰে লেখোঁ
তথাপিতো নোৱাৰিলোঁ "চাহাব" বোলাব।

(৫)

চাহাব জনম ল'ম এই বাৰ হ'লে
নেলাগে জনম মোক চাহাবী নেপালে
বিধতাক খাটি লুটি
লয় ল'ব ভাৰ ভেঁটী
জৰুৰ চাহাব হ'ম ইবাৰ মৰিলে।

(১) হেট্ কোট্=চাহাবী টুপি আৰু চোলা।

(৬)

চাহাব জনম লৈ চাহাবী কৰিম
বিবীৰ লগত নিতে বাটত ফুৰিম
নেটিভে চেলাম দিব
"Sir" (১) বুলি কথা ক'ব
ছাতি নজপায় যদি দেখিম দেখিম।

(৭)

দিনৌ দিনৌ খাম মেজত Dinner (২)
"গেলনে গেলনে" খাম বিলাতী Liquor (৩)
Jelly (৪) সানি, ৰুটি কণী
Swiss milk (৫) চাহ পানী
Oyster (৬) Frog (৭) আৰু Danish
Butter. (৮)

(১) চাৰ্ = মহাশয়। (২) ডিনাৰ্ = খানা। (৩) লিকৰ্ = মদ। (৪) জেলী = ৰুটিৰ লগত খোৱা এবিধ সোৱাদ বস্তু। (৫) চুইচ্ মিল্ক্ = টিনৰ বিলাতী গাখীৰ। (৬) অইষ্টাৰ = শামুক। (৭) ফ্ৰগ্ = ভেঁকোলা। (৮) ডেনিচ্ বটাৰ = ডেন্মাৰ্ক দেশত তৈয়াৰী, টিনত অহা মাখন।

(৮)

জিভাৰ জনম মিছা Dinner(১) নেখালে
নেপায় বিবীৰ হাঁহি চাহাব ন'হলে
জলাম "হজুৰ" নাম
দীঘল চেলাম পাম
জৰুৰ চাহাব হ'ম ইবাৰ মৰিলে।

(১) ডিনাৰ = খানা।

আমি ভকত

(১)

ভকত ভকত আমি, কপালত ফোঁট
(আমি) বিয়া-বাৰু নকৰাওঁ থাকোঁ গোট গোট।
"এওঁ"ক বোলোঁ "এঁৱা" আমি
"তেওঁ"ক বোলোঁ "তেঁৱা"
"চাউল সিজোৱা" "ভাত"ক আৰু
"খোৱা"ক "ভোজন কৰা।"
"ঘৰ"ক বোলোঁ "বহা" আৰু
"তামোল"ক "গুৱা।"
(আমাৰ) "মৰিচ"ক "ভোজন-ঠেলা" নুবলিলে চুৱা।
(আমি) গোঁসাইক "গৰাকী" বোলোঁ মুখৰ আগত
"সেই পাট্" বোলোঁ হ'লে পিঠিৰ পাচত।
এতেকতে আমি ভকত
আৰু আমি বৰ মহন্ত।

(২)

(আমি) চুলি ৰাখি মুখ চাচি হওঁ তিৰী-মুৱা
(আৰু) যেনি যাওঁ, তেনি বুলি ফুৰোঁ "চুৱা চুৱা।"
নেখাওঁ তামোল, নোচো ধপাতৰ হোঁকা
(খালি) গুপুততে পাসে মাৰোঁ ভাং কানি হোঁপা
প্ৰসঙ্গত বহি আমি বোলোঁ "হৰি হৰি"
মনে মনে ভাবোঁ গৰু ম'হ টকা কড়ি।
সকলোকে দয়া কৰোঁ পৰম ধাৰ্ম্মিক
নিভাঁজ বৈষ্ণৱ আমি নিহিংসো প্ৰাণীক।
মাছ কাছ পহু আৰু চৰাই চিৰকতি
(আমি) ইয়াকো নকৰোঁ হিংসা, খাওঁ মাত্ৰ কুটি।
এনেকৈতে আমি ভকত
আৰু আমাৰ ধৰ্ম্ম বৰ শকত।

(৩)

(আমি) খুঁটি পাতি লওঁ, গৰু ম'হ আনি দৈ
(আৰু) ধন ধাৰে দিওঁ সৰহীয়া সুতলৈ।
কুবাদৰ মেল যদি হৰিয়ে মিলায়
(তেনে) উভয় পক্ষৰ পৰা কিছু পোৱা যায়।
(আৰু) খাজনা বা কৰ তোলা যদি পাওঁ ভাৰ
(তাৰো) আধাখিনি বৈ যায় হাতত আমাৰ।

(আমি) এই দৰে দুই চাৰি মহা উলিয়াওঁ
ব্যৱসায় নাই একো হৰি নাম গাওঁ।
এতেকতে আমি ভকত
আমি থকা হ'ব বৈকুণ্ঠত।

(৪)

(আমি) উদাসীন ধৰ্ম্ম ধৰি চিন্তিছোঁ "তেঁৰাক"
সংসাৰৰ বস্তু একো নেলাগে আমাক।
লাগে মাত্ৰ ধন সোণ ভাল কাঁহী বাটি
গৰু-খুঁটি ম'হ-খুঁটি আৰু লাগে মাটি।
বিষয়-আশয় লাগে সমাজত মান
পেৰাত কাপোৰ লাগে ভঁৰালত ধান।
(আমি; সংসাৰৰ আৰু বস্তু একোকে নেকাঙ্ক্ষি
বৈকুণ্ঠৰ যাত্ৰী হৈ আছোঁ ঠেং দাঙি।
এতেকতে,
আমি বৰ ভকত
আমি বৰ ভকত।
তেও যদি তুমি ভাবাঁ আমি ভকত সৰু
তেনেহলে তুমি এটা জাত বলধি গৰু।

শৰতৰ জোন

(১)

কোৱাঁ শৰতৰ জোন মনচোৰ মোৰ
মনমোহা কি গুণ শিকিলাঁ,
কি গুণৰ গুণে তুমি মোহি মোৰ মন
তোমাতেই বলিয়া কৰিলাঁ ?

(২)

তোমাৰ মুখত মই দেখোঁ যিটি শোভা
যিটি শোভা তোমাৰ হাঁহিত,
তেনে চকু জুৰ কৰা মন প্ৰাণ হৰা
নাই শোভা মৰত ভূমিত।

(৩)

দেখিছোঁ বিবিধ ফুল চকু জুৰ কৰা
ৰঙা বগা নানা বৰণীয়া,
দেখিছোঁ মধুৰ হাঁহি পুৱাৰ ফুলৰ
যি হাঁহিত ভোমোৰা বলিয়া।

(৪)

যেনেহে অমিয়া আছে তোমাৰ হাঁহিত
যেনে সুধা তোমাৰ মুখত,
ভোমোৰাই তাৰ হায় মোলকে নেপায়
তেনে সুধা নোপজে ফুলত।

(৫)

তোমাৰ শুৱনি মুখ সুধাৰ আকৰ
সুধাময় কিৰণ তোমাৰ,
তোমাৰ হাঁহিত হয় সুধা বৰিষণ
ভালেতোহে নাম সুধাকৰ।

(৬)

কোৰ্বাঁচোন জোন মোক কোৰ্বাঁ এটিবাৰ
কিয় তুমি ইমান ধুনীয়া,
তোমাৰ মুখতে আনি সানিলেনে বিধি
প্ৰকৃতিৰ যিমান অমিয়া ?

(৭)

মধুৰতা সবলতা কোমলতা গুণে
সৃষ্টিৰ সৌন্দৰ্য্য যত লৈ,
তোমাৰ ধুনীয়া মুখ দেখি ভোল গৈ
লৈছেহি নে তোমাতে আশ্ৰয় ?

(৮)

যাতেহে হেপাহ মোৰ যত চাওঁ মানে
তোমাৰ ধুনীয়া মুখলৈ,
দিনৌ আবেলি বেলি বিষোৱাঁও চকু
চাওঁতে চাওঁতে বাটলৈ।

(৯)

জানোঁ তুমি মনে মনে ভাল পোৱাঁ মোক
ফুটাইহে নোকোৱাঁ আগত,
নোৱাৰাঁ ফুটাই ক'ব নোলায় মুখত
সিটি কথা থাকে অন্তৰত।

(১০)

নহলে চকুত চকু পৰিলে হঠাৎ
চাওঁতে ধুনীয়া মুখখনি,
মিচিকি হাঁহিটি মাৰি মূৰ তল কৰি
কিয় ল'বাঁ মেঘৰ ওৰণি ?

(১১)

নকওঁ নকওঁময়ো ভাল পাওঁ বুলি
সিটি কথা নকওঁ মুখেৰে,
যেনেহে তোমাৰ লাজ, লাজতে নোলাবাঁ
সিটি কথা শুনিলে কাণেৰে।

(১২)

স্বৰ্গত তোমাৰ বাস পৃথিবীত মোৰ
কত শত যোজনৰ দূৰ,
দূৰতে থাকিম মই দূৰতে মজিম
চাম হাঁহি দূৰতে তোমাৰ।

ধনীৰ মোকৰ্দ্দমা

মণিৰ গৰুৱে ধনীৰ এদিন
কঠীয়াত মুখ দিলে,
গালি পাৰি পাৰি খঙেৰে ধনীয়ে
ঠানালৈ খেদি নিলে।
মণিয়ে বুলিলে "মুখখন তোৰ
দেখিছোঁ যেনেহে চোকা,
কোনোবাই ধৰি বুটি ঠাইসৰা
লগাব এদিন একা।"
গালি পাৰোতেই গৰুটো ইফালে
চেঁকুৰি পলাই গ'ল,
ধনীয়ে শেহত জ্বলি পকি উঠি
কাছাৰিৰ মুৱা হ'ল।

তৰণীয়ে আহি আদবি নিলেহি
আথে-বেথে আগ বাঢ়ি,
সুধি-পুছি চাই বুধি দি পেলালে
লগোৰাঁ পাঁচ শ চাৰি।
"দৰ্খাস্ত টকীয়া আৰু ছুটকীয়া
যেনে লাগে কোৰাঁ তাকে,
এটকাত গুণ পলমে ধৰিব
ছুটকাত ততালিকে।
লেখা মেহনত এটকা দিলেই
টকীয়া দৰ্খাস্ত হয়,
ছুটকা দিলেহে ছুটকীয়া বুলি
আইন কানুনে কয়"।
ছুটকা বেচতে দৰ্খাস্ত যেতিয়া
হ'ল লেখা পঢ়া কৰা,
তৰণীয়ে বোলে "গোচৰ শক্ত
উকীলো এজন ধৰাঁ"।
আৰু একাধলি তুৰন্ততে ঘটি
ওকালতনামা লেখি,
তৰণীয়ে আনি কৰিলে ধনীক
উকীলেৰে দেখা দেখি।

উকীলে বুলিলে গহীন মাতেৰে
"মোকৰ্দ্দমা বৰ ভাৰী,
এশ এশ কৈয়ে ধাৰাই পাঁচ শ
তাৰ ওপৰেও চাৰি।
শত চাৰি কৰি পাঁচ শ ধাৰাতে
একুৰি বয়না হয়,
তাৰেই দুগুণ আকৌ দুকুৰি
ফীজো দিব লাগিবই"।
দশোটি টকাৰে মিনতি কৰাত
উকীলে গোচৰ ল'লে ;
"সিবাৰ আহোতে ফীজ্‌টো আনিবাঁ"
বুলি তেও কৈ থ'লে।
ধনীৰ দৰ্খাস্ত ফণী মৌজাদাৰে
ৰেপটৰ বাবে পাই,
"গোচৰ যথাৰ্থ" বুলি লেখি দিলে
এহাল দমৰা খাই।
হাকিমে যিদিনা ৰেপট শুনিলে
আচামী চমন হ'ল,
ছটকা মিৰাণ ল'লে তৰণীয়ে
ধনী ঘৰলৈ গ'ল।

দিনৰ দিনাও দিলে দহ টকা
উকীলক সেৱা কৰি,
ফীজ্ কম বুলি উকীলে ধনীৰ
ছাতিটোও ল'লে কাঢ়ি।
মিচিলত গৈ ধনী মণি দুয়ো
হ'ল যেতিয়াই থিয়,
হাকিমে দুইকো ক'লে বোলে হেৰ
মিতি নেপেলাৱ কিয় ?
উকীলে তেতিয়া ধনীক বুলিলে
“হাকিমে কৈছে সেয়া,
তৰণীক লৈ মিতি পেলাগৈ
ন'হলে কৰিব বেয়া”।
ধনীৰ মণিৰ দুইৰো তৰণী
আহি একে লগ হ'ল,
দুইকো দুজনে মিচিলৰ পৰা
উলিয়াই লৈ গ'ল।
আৰু কেবা জনো তৰণী মহৰী
টেকেলা বেঙ্গেনা আহি,
আড়ম্বৰ কৰি পাতিলে চালিছ্
গছৰ তলত বহি।

দুই পক্ষৰেই   দুটকা দুটকা
লৈ মেল মৰা ধন,
ন'থৈ কোঢ়াল   লগাই চালিছে
শুনিলে গোচৰখন।
দুই জনৰেই   কিছু কিছু দোষ
থকাটো সাব্যস্ত কৰি,
এটকা এটকা   দুইকো দুটকা
বিহিলে দণ্ড ধৰি।
দণ্ড কৰা ধন   মণিয়ে ধনীক
ধনীয়ে মণিক দিব,
সমান কাৰণে   নিদিলেও হ'ব
গাই গাই মৰি যাব।
গোচৰ মিতালোঁ   বুলি চালিছানে
হাকিমক গৈ ক'লে,
মিতমাত হ'ল   বুলি হাকিমেও
আচামী খালাছ দিলে।
মেল মৰা ধন   মেলুৱাসকলে
সমানে ভগাই খালে,
গোচৰ এনেহে   বুলি ধনীৰামে
তেতিয়াহে হুঁচ্ পালে।

দেশৰ উন্নতি

(১)

উন্নতি কৰাঁ দেশৰ উন্নতি কৰাঁ
পলম নকৰি ততালিকে লাগি পৰাঁ
সোণাপুৰ দেশখন
পালেগৈ ৰসাতল
লঠীয়া মাৰিবে একে দোপে দাঙ্গি ধৰাঁ।
উন্নতি কৰাঁ দেশৰ উন্নতি কৰাঁ।

(২)

দূৰ হ'ব লাগে যত দেশৰ দুৰ্গতি
সকলোৰে হ'ব লাগে সজ্ঞ বুধিমতি
ম'হ-কটা কালীপূজা
গায়নেৰে নাম-গোৱা
পঁচা তুলি গাৰেঁ গাৰেঁ পাতি দিওঁ ধৰাঁ।
উন্নতি কৰাঁ দেশৰ উন্নতি কৰাঁ।

PLEASE HANDLE THE BOOK CAREFULLY.

(৩)

অকণো মনত কাৰো ধৰ্ম্মভাব নাই
সনাতন আৰ্য্য ধৰ্ম্ম হ'ল যায় যায়
দীঘল টিকনি ৰাখোঁ।
চৰাচৰে ফোঁট লোৱাঁ।
ইঘৰে সিঘৰে খোৱাখুই কৰা এৰাঁ।
উন্নতি কৰাঁ দেশৰ উন্নতি কৰাঁ।

(৪)

চুবুৰিয়ে চুবুৰিয়ে সাজাঁ নাম ঘৰ
মেল সুধিবৰ তাত প্ৰয়োজন বৰ
কোনে ডাড়ি নুখুৰায়
জোতা পিন্ধি পানী খায়
মেল মাৰি ডঁৰ লোৱাঁ যত মানে পাৰাঁ।
উন্নতি কৰাঁ দেশৰ উন্নতি কৰাঁ।

(৫)

এতিয়াও তিৰোতাই বন কৰি মৰে
এতিয়াও ৰিহা মেখেলাকে পিন্ধি ফুৰে
পঢ়োৱাঁ নভেল আনি
পিন্ধোৱাঁ ঢাকাই শাৰী

বিদেশী গহনা কিনি নাকে কাণে আৰঁা।
উন্নতি কৰঁা দেশৰ উন্নতি কৰঁা।

(৬)

উন্নতি সাধিনী সভা পাতি পাতি লোৱঁা
Honorary(১) সভাপতি Secretary(২) হোৱঁা।
দীঘল বক্তৃতা কৰি
বৰঙ্গনি তুলি আনি
দোকানৰ চোলা কাপোৰৰ ধাৰ মাৰঁা।
উন্নতি কৰঁা দেশৰ উন্নতি কৰঁা।

(৭)

চল্ চাই সুতলৈ ধাৰে দিয়া ধন
বঢ়াই সুতৰ সুত কৰঁা দহ গুণ
ঘৰ বাৰী ভেঁটি মাটি
সোপাকে ধাৰতে মাৰি
কাঢ়িলৈ দুখীয়াক পাৰঁা মানে তাৰঁা।
উন্নতি কৰঁা দেশৰ উন্নতি কৰঁা।

(৮)

চাৰি কুৰি বছৰতো নেৰিবঁা উলাহ
উন্নতি নহয় একো ন'হলে উৎসাহ

---

(১) অনৰেৰী—দৰ্ম্মহা নোখোৱা। (২) চেক্রেটৰী—সম্পাদক।

হওক বয়স বুঢ়া
আকৌ কৰোঁ বিয়া
কেচুৱা ছোৱালী আনি বাৰী কৰি মৰোঁ।
উন্নতি কৰোঁ দেশৰ উন্নতি কৰোঁ।

(৯)

সত্যতেহে সত্য ক'ব কলিত অসত্য
বহুতে নেজানে এই শাস্ত্ৰৰ সুতত্ত্ব
যত পাৰোঁ ধন লৈ
বৰ পাগ মাৰি গৈ
মিছা গোচৰত মিছা সাখী হৈ পৰোঁ।
উন্নতি কৰোঁ দেশৰ উন্নতি কৰোঁ।

১০)

নিজৰ উন্নতি হ'লে দেশৰ উন্নতি,
নিজৰ উন্নতি হ'ব ধন হ'লে অতি
টাঁহি-মুহি সকলোকে
"যেন তেন" প্ৰকাৰেৰে
ধন ঘটি স্বদেশৰ উন্নতি আচৰোঁ।
উন্নতি কৰোঁ দেশৰ উন্নতি কৰোঁ।

চন্দ্ৰ

সুধাকৰ,
পৰম প্ৰেমিক তুমি ; প্ৰণমোঁ তোমাক।
আছিলাঁ এদিন হেনো
একে অঙ্গ পৃথিবীৰে তুমি ;
পৃথিবীয়ে এৰিলে তোমাক
খেদিলে আতৰ কৰি।
তথাপিতো হায়
নোৱাৰিলাঁ ছিঙ্গি যাব প্ৰেমৰ বন্ধন ;
ঘূৰিব লাগিছাঁ তুমি
পৃথিবীৰ চৌপাশে সদায়,
দেখুৱাই উচ্চ আৰ্হি জীৱ জগতক—
স্বাৰ্থ নাই আচল প্ৰেমত।

মহাপুৰুষে ভেঁটী খালে

মহাপুৰুষেই নতুন ধৰম
আপুনি স্ৰজন কৰি,
ভাবিছিলোঁ বোলোঁ বামুণৰ গপ
তেনেই ভাঙ্গিলে ধৰি।
এতিয়া দেখিছোঁ বামুণেই গঢ়া
সেই চতুৰ্ভুজ হৰি,
সেই শঙ্খ চক্ৰ, সেই বনমালা,
সেই পীতাম্বৰধাৰী।
সেই হৰিনাম, নিষ্কাম কৰম,
সেই ভক্তি হিয়া ভৰা,
শৰাধ বিধিও সকলোবোৰেই
একেটা সাঁচতে মৰা।
কীৰ্ত্তন দশম আৰু নাম ঘোষা
গুণমালা ৰত্নাৱলী,
সোপাই তেনেই বামুণীয়া পুথি
ভাঙ্গি থৈ গ'ল খালি।

মিছাতে নতুন বুলি ভাবিছিলোঁ
ধৰ্ম্ম মহাপুৰুষৰ,
বামুণ-ধৰ্ম্মৰ বৰ কাৰেঙ্গৰে
ইও এখোঁটালী ঘৰ।
নতুন ধৰম উলিয়ালোঁ বুলি
কৰি গ'ল লেটি-পেটি,
সিয়ান বামুণে মহাপুৰুষক
নিশ্চয় খুৱালে ভেঁটী।
সেই কাৰণেহে মহাপুৰুষেও
এনে ফাকি-ফুকাকৈ,
বামুণহঁতৰে হকে খাটি গ'ল
Missionary (১) কাম লৈ।

(১) মিশ্যনাৰী = ধৰ্ম্মপ্ৰচাৰক পাদ্ৰী

শুচি

পৃথিবীত ভাৰতেই খালি শুচি দেশ
তাৰ ভিতৰতে শুচি অসম প্ৰদেশ।
অসমৰে আৰু শুচি আমাৰ জিল্লাই
আমাৰ মহ্‌কুমা কিন্তু শুচি তাতোকৈ।
যতখিনি মৌজা আছে ই মহ্‌কুমাৰ
সকলোতকৈ শুচি মৌজাটো আমাৰ।
এই শুচি মৌজাটোৰ আমাৰ গাৱঁই
সকলো গাৱঁত্‌কৈ শুচি অতিশয়।
আমাৰ গাৱঁৰ পুনু জানিবাঁ স্বৰূপ
আমাৰ চুবুৰি শুচি আকৌ এদোপ।
এই হেন শুচি চুবুৰিৰ ভিতৰৰ
বৰ শুচি যি কেঘৰ আমাৰ বংশৰ।
শুচিৰো ওপৰ শুচি এই বংশৰেই
তেনেই নিভাঁজ শুচি আমাৰ ঘৰেই।
আমাৰ ঘৰত কিন্তু ময়েহে মাথোন
শুচিৰো বিশুদ্ধ শুচি যেনে খপা সোণ।

ধূলি-কণা মই

(১)

যিদিনা মৰিম মই, সেই দিনা বাৰু
জগতৰ কেনি হানি হ'ব ?
মৰিলোঁ নে আছোঁ মই, এই কথাকে নো
পৃথিবীয়ে কিমানে জানিব ?

(২)

মই মৰিলেও দিন গ'লে ৰাতি হ'ব
জোন বেলি ওলায়ে থাকিব ;
গছত ফুলিব ফুল, বতাহ বলিব
নিজ বাটে নক্ষত্ৰ ঘূৰিব ।

(৩)

আজিৰ দৰেই নিতে জগত চলিব
নাই তাৰ অকণো সংশয় ;
এই বিশ্ব সংসাৰৰ কোনো নিয়মৰে
লৰ-চৰ অলপো নহয় ।

(৪)

মই নোহোৱা বাবে এই জগতৰ
কোনো কাম পৰি নেথাকিব,
কামত বিভোৰ এই বিশাল বিশ্বই
মই মৰা গমকে নেপাব।

(৫)

অনন্ত বিশ্বৰ এই অসংখ্য ধূলিৰ
এটি মাত্ৰ ধূলি-কণা মই ;
মোৰ বিহনে এই বিপুল সৃষ্টিৰ
কেনিও অকণো হানি নাই।

মাছ

(অমিত্ৰাক্ষৰৰ নমুনা)

হে মাছ, নথকা হ'লে তুমি
কিহেৰে নো খালোঁহেতেন সদাই ভাত!
ৰৌ বৰালি বাহু চিতল মিৰিকা
পুঙ্গা আৰি কচ্ ভেউ ঘঁৰিয়া খঁৰীয়া
সাল শ'ল চেঙ্গা শিঙ্গী
ককিলা খালৈ-ভাঙ্গী কাৰৈ মাগুৰ
গৰৈ চেঙ্গেলী
খলিহা ভেচেলি
বামী তোৰা ইলীহি কান্ধুলি
কুঢ়ি চেনি পাভ বছা গাগল শিঙ্গৰা
মৰঠী কলীয়াজৰা এলেং বটীয়া
নাৰ বাট বৰদোৱা পুঠী উঁনিকণা
লাউপটা চন্দা মোৱা মিছা—
কত নো ৰূপেৰে তুমি
বিৰাজিছা নৈয়ে বিলে পুখুৰীয়ে

খালে ডোঙে, এই জগতত !
ধন্য তুমি,
কত ভকতত লাগিছাঁ দিনৌ !
ভাজাঁ বা পাতত দিয়াঁ কিম্বা পুৰি লোৱাঁ,
খৰিকাত দিয়াঁ নতু খাৰ ৰান্ধি খোৱাঁ
ন'হলে টেঙ্গা বা জলা যিহকে ৰান্ধিবাঁ ;
তাকে খাই এৰিব নোৱাৰি ।
ভাগ্যৱান তুমি মাছ—
প্ৰথমে তোমাৰে ৰূপ ধৰিহে ঈশ্বৰে
"উদ্ধাৰিলাঁ চাৰি বেদ প্ৰলয় জলত" ;
তোমাকে লোকক বেচি
কত লোকে ভাত মোকোলায় ;
তোমাৰে বেপাৰ কৰি "বিষয়া" বোলায় !
এতেকে হে মাছ,
তোমাৰ মহিমা দেখি তবধ মানিছোঁ !
কৰিছোঁ মিনতি যেন
নেৰিবাঁ কদাপি মোক ;
দুই বেলা ভাতৰ লগত
পাওঁ যেন এচকল সদাই তোমাৰ ।

বামুণ নেৰিবাঁ পালে

(১)

বামুণবোৰেই ভাৰতবৰ্ষৰ
যত আপদৰ মূল ;
বামুণেই দেশ নগমে মাৰিলে
নাই তাত কোনো ভুল ।
বামুণেই দেশ খালে ;
বামুণ নেৰিবাঁ পালে ।

(২)

ৰাৱণ ৰজাটো বামুণ কাৰণে
কত দুৰ্ঘটনা হ'ল !
ৰাম ৰাৱণৰ ৰণৰ তাপতে
দেশ তললৈ গ'ল ।

কৌৰৱ পাণ্ডৱ দুই ফৈদেই
বামুণ-তেজীয়া ৰজা ;
সেই কাৰণেহে ৰণ কৰি কৰি
মাৰিলে অতেক প্ৰজা।
বামুণেই দেশ খালে ;
বামুণ নেৰিবাঁ পালে।

(৩)

বামুণে পাতিলে দ'ল দেৱালয়
হীৰা মুকুতাৰে ভৰা ;
তাৰ কাৰণেই মহমুদে আহি
লুটিলেহি ৰহ-ঘৰা।
বামুণেই মাথোঁ যুদ্ধ ব্যৱসায়
ক্ষত্ৰিয় কেটাক দিলে ;
এমুঠি ক্ষত্ৰিয়ে ৰাখে কেনেকৈ ?
দেশ মছলমানে পালে।
বামুণেই দেশ খালে ;
বামুণ নেৰিবাঁ পালে।

(৪)

বামুণবোৰৰে কিবা চক্ৰান্তত
ইংৰাজে ল'লেহি দেশ ;

ইংৰাজক দেখি টিমক বামুণে
সলাই পেলালে বেশ।
পূজা সেৱা এৰি কামত সোমাল
জাকেই বিষয়া হ'ল;
সিহঁতৰ বাবে লোকৰ ভাগত
কাম কম পৰি গ'ল।
বামুণেই দেশ খালে;
বামুণ নেৰিবা পালে।

(৫)

টেঙ্গৰ বামুণে কংগ্ৰেছ্ পাতি
টেঁটু ফালি চিয়ঁৰিলে;
ভোলোঙ্গা ইংৰাজে বিমোৰত পৰি
নতুন "ৰিফৰ্ম্‌চ্" দিলে।
তাৰ আলমতে অসহযোগেৰে
ভাৰত উপচি গ'ল;
সেই বাবতেই গোটেই দেশৰ
ন'থৈ জীয়াতু হ'ল।
বামুণেই দেশ খালে;
বামুণ নেৰিবা পালে।

(৬)

বঙ্গৰ বিভাগ ৰাওলট্ বিল
ইও দোষ বামুণৰ।
বামুণেই ধৰি কিবা ফিকিৰেৰে
বঢ়োৱালে লোণ-কৰ।
বামুণেই দেশ খালে ;
বামুণ নেৰিবাঁ পালে।

(৭)

মুক্তিৰ পথকো বাহু বামুণেই
ফাকি দি লুকাই থ'লে ;
কল কুঁহিয়াৰ মাহৰ লোভত
পূজা সেৱা উলিয়ালে।
গৰু গাহৰিৰ সাকুৱা মঙ্গহ
নিজে পেট ভৰি খালে ;
নিষেধ বিধানি শতক শালি'লে
লোকৰ বেলিকা হ'লে।
বামুণেই দেশ খালে
বামুণ নেৰিবাঁ পালে

(৮)

এমুঠি বামুণে কূৰ্চ্চুট্ কৰি
আহোমৰ তেজ খালে ;
হিন্দু পাতিলৈ দুদিনতে ধৰি
সাহ পিত্ মাৰি দিলে।
বামুণেই দেশ খালে ;
বামুণ নেৰিবাঁ পালে।

(৯)

জাৰ্মেন্ ৰজাটো কুলত কি জানি
বামুণ থাকিব পায় ;
ন'হলে কিৰূপে পৃথিবী খনকে
মাৰিব লট্‌ঘটাই ?
(ওঠৰ শ) সাতান্নবৈৰ ভূঁইকঁপটোৰো
দায়ী এই বামুণেই ;
জহনী গ্ৰহণী আকাল অগনি
আনে খালি ইহঁতেই।
বামুণেই দেশ খালে ;
বামুণ নেৰিবা পালে।

(১০)

ভাৰতৰ শ্ৰী পলাল কেনিবা
ইহঁতৰ গতি দেখি ;
বামুণবোৰক টেঁটু চেপি মাৰঁা
পুথি সোপা কাঢ়ি ৰাখি।
নতু খেদি দিয়াঁ হাবিত সোমাই
মৰক তপস্যা কৰি ;
বনৰজা ঘোঙ্গে খাওক বাপেকে
জাকে জাকে ধৰি ধৰি।
বামুণেই দেশ খালে :
বামুণ নেৰিবাঁ পালে

দাঁত আৰু জিভা

(১)

শিলৰ নিচিনা টান শৰীৰ দাঁতৰ
বয়সেও দাঁত সৰু জিভাহে ডাঙৰ।
তেও আগেয়েই দাঁত কিয় নাশ পায় ;
আলসুৱা হৈয়ো জিভা লগতেহে যায় ?

(২)

দাঁতৰ মাজত যদি পৰে কেতিয়াবা
আচলে পিছলে গৈ কুমলীয়া জিভা,
হিংসুক অধম দাঁত মিলি তুই পাৰি
চল পাই ততালিকে ধৰে চেপা মাৰি।

(৩)

জিভাৰ স্বভাৱ কেনে সৰল মহৎ !
সোমালে সামান্য শাল দাঁতৰ মাজত,
যত তাৰ অপকাৰ সকলো পাহৰে
মৰি মুজি সেই শাল নুলিয়াই নেৰে !

(৪)

ন্যায়-বিচাৰক বিভু স্বামী জগতৰ
শীঘ্ৰ-নাশ বিধানিলে হিংস্থক দাঁতৰ ;
পৰ উপকাৰী আৰু চেনেহী জিভাৰ
ন'থলে অকাল মৃত্যু যন্ত্ৰণা বিকাৰ।

শিক্ষিতৰ কৰ্ত্তব্য জ্ঞান

(১)

গোপীনাথ মহাপেছে
খাৱণিৰে ভাত খাই
পুতেকক দিলে কলেজত ;
পুতেক মহেন্দ্ৰনাথে
হুঁহকি পিছলি থাকি
এম্, এ, পাছ কৰিলে শেহত।

(২)

হৰিষত গোপীনাথে
হাতুতে স্বৰগ পালে
আপোনাক কৃতাৰ্থ মানিলে ;
বহুতক খাটি-খুটি
বহু আগ ভাগ কৰি
পুতেকক কামত সুমালে।

(৩)

মহেন্দ্ৰই মহা সুখে
গুৱাহাটী নগৰত
হেট্‌ পিন্ধি বৰ কাম কৰে ;
ডিবুৰুৰ কাছাৰিত
ছিৰলী চুৰিয়া পিন্ধি
গোপীনাথে কাপ পিহি মৰে ।

(৪)

গোপীনাথে চাই চিটি
মৰি মুজি ধন ভাঙ্গি
মহেন্দ্ৰৰ বিবাহ পাতিলে ;
মহেন্দ্ৰই বিয়া কৰি
কন্যাক ৰেলত তুলি
চুটি মেলি গুৱাহাটী পালে ।

(৫)

মাৰাঁৰ বেমাৰ টান
বুলি কৰি টেলিগ্ৰাম্‌
গোপীনাথে মাতি পঠিয়ালে;

জেঠেৰি আহিব দেখি
এৰাব নোৱাৰোঁ বুলি
মহেনে ডাকত চিঠি দিলে।

(৬)

ঘৰত নিদিয়ে ভাবি
ধন-বিত্তো নপঠায়
চিঠিও নেলেখে মহেন্দ্ৰই ;
বাপেক মাকৰো আৰু
খবৰ নলয় একো
কাণকে নকৰে ঘৰলৈ।

(৭)

পুতেকৰ গতি দেখি
ভাবনাতে গোপীনাথ
খীণাই শুকাই ক'লা হৈ,
পূজাৰ ছুটীটো পাই
চাই আহোঁ বুলি ভাবি
নিজে গুৱাহাটী পালেগৈ।

(৮)

পুতেকক লগ ধৰি
আলহ্ তুলহ্ কৰি
গোপীনাথে কুশল শুধিলে ;

বহু দিন দেখা নাই
চাবলৈ বুলি তোকে
নিজেই আহিলোঁ বুলি ক'লে।

(৯)

মহেন্দ্ৰই বোলে বাৰু
গুচি যা এতিয়া আৰু
নেথাকিবি বঙলাত মোৰ ;
নেপাৱ ইয়াত ঠাই
ক'লা জ্বৰ হ'ব পাই
দেখিছোঁ চেহেৰা বেয়া তোৰ।

(১০)

গোপীনাথে বোলে মোৰ
হোৱা নাই ক'লা জ্বৰ
হ'লেও খেদিবি কিয় তই ?
তই ক'লা জ্বৰ ভুগি
মৰো মৰো হওঁতেও
ফুৰিলোঁ বুকত বান্ধি মই।

(১১)

মহেন্দ্ৰই বোলে তই
ফুৰিবিতো অৱশ্যই
সেয়ে তোৰ কৰ্ত্তব্য তেনেই ;

গোপীনাথে বোলে তেনে
তোৰো বাৰু মোৰ প্ৰতি
নাই নে কৰ্ত্তব্য একোৱেই ?

(১২)

মহেন্দ্ৰই বোলে যদি
খুজি মাগি ভাত মুঠি
নোৱাৰহে খাব মোকোলাই,
তেতিয়া লাগিলে ভাল
দিব পাৰোঁ মাজে মাজে
ছুই চাৰি মহা দলিয়াই।

(১৩)

ইয়াৰ বাহিৰে আৰু
মোৰ ওপৰত তোৰ
কোনো প্ৰকাৰৰে স্বত্ব নাই ;
কোনো এম্,এ, পাছ লোকে
কোনো নব্য কিতাপতে
কেতিয়াও বিচাৰি নেপায়।

(১৪)

গোপীনাথে বোলে হায়
কিয়নো পঢ়ালোঁ তোক
অত ধন ভাঙ্গিলোঁ কিয় বা ?

মহেন্দ্ৰই বোলে ধৰ
কৰিছিলি কাৰবাৰ
মূলধনো হেৰাল জানিবা।

(১৫)

তুধাৰা চকু-লো টুকি
একে চাঁতে থিয় হৈ
গোপীনাথে ছাতি লাঠি তুলি,
ৰেল ধৰিবৰ বাবে
বেগা-বেগি খোজ ল'লে
জানিবা মৰিলি তই বুলি।

হাকিমী বিয়া

(১)

গোলাপে যেতিয়া বি,এ, পাছ কৰি
ল'লেহি হাকিমী কাম
উজানে ভাটীয়ে ছোৱালী হাটত
লাগি গ'ল ধুমধাম।
ছোৱালী যাচোতা মানুহে দিনৌ
লগালে তেনেই লালী,
গোলাপে কিন্তু সকলোকে ক'লে
উহুঁহুঁ উহুঁহুঁ খালি।
ইয়াকে কৰোতে গোলাপৰ মোল
দোপে দোপে গ'ল বাঢ়ি
গোলাপে ভাবিলে বহালোঁ বাপেকে
মিচিকি হাঁহিটি মাৰি।

যদু বৰুৱাৰ সুখৰ সংসাৰ
ধনৰ অভাৱ নাই
সাবিত্ৰী নামেৰে একেটি ছোৱালী
নাৱে গাৱেঁ মিলি যায়।
দৰা বাছি বাছি যদুৱে শেহত
গোলাপকে ধৰিলেহি
গোলাপে দেখিলে ডাঙৰ বৰালি
জালত পৰিছে আহি।
বুলিলে শেহত গহীন মাতেৰে
গহীন ভাৱেৰে ঘোৰ
"বিয়া নকৰাওঁ বুলি হ'লে একা
আছিল প্ৰতিজ্ঞা মোৰ।
আপোনাৰে তেও হোক উপকাৰ
প্ৰতিজ্ঞাকে এৰোঁ আৰু
বিয়াৰ খৰচ দুহেজাৰ টকা
হাততে দিয়ক বাৰু"।
দৰা ভাল দেখি যদু বৰুৱাও
ৰঙ্গেৰে মান্তি হ'ল
সাবিত্ৰীয়ে আহি শুঁহৰি খটাৰো
ছমাহ উকলি গ'ল।

নভেলত পঢ়ি কলিকতা ফুৰি
চাই চাই থিয়েটাৰ
গোলাপৰ একা প্ৰেমৰ ধাৰণা
পকি উঠিছিল বৰ।
ছমাহ কালতো সাবিত্ৰীয়ে দেখোঁ
"প্ৰাণনাথ" নুবুলিলে
"তুমি যদি মৰাঁ মই বীহ খাম"
ইয়াকোনো ক'ত ক'লে ?
জুলিয়েটে কোৱা ততেক কথাৰ
এষাৰো যি ন'কলেই
থিয়েটাৰী সেই আও-ভাওবোৰো
নাই নাই এধানেই।
বি,এ, পাছ কৰা হাকিম মানুহ
বুধি অতিশয় চোকা
গোলাপে তুৰন্তে থিৰাং কৰিলে
সাবিত্ৰী অসতী একা।
ধৰ্ম্ম অৱতাৰে অধৰ্ম্ম নসহে
"তালাখ্" বিহিলে দণ্ড
সাবিত্ৰীক আহি বাপেকে নিলেহি
প্ৰথম অধ্যায় অন্ত।

(২)

ভোগালী খাতৰ কদাই কুমাৰে
নতুন চহকী হৈ
নগৰত চকী পাবৰ কাৰণে
ফুৰিছিল চল চাই।
হাকিম-সাবিত্ৰী কাহিনী যেতিয়া
গাৱঁে ভুঁয়ে বিয়পিলে
কদায়ে ভাবিলে এই হেন চল
হৰিয়েহে কৰি দিলে।
ততালিকে তেওঁ জোতাঁ কিনি আনি
ভৰিত সুমাই লৈ
গোলাপৰ ঘৰ পালে কোনো মতে
খোৰাই খোৰাই গৈ।
মধু চাপ্ৰাছীক ধৰি মেলি মান
হাকিমক দেখা পালে
বহুত চেলাম শোধাই ভয়েৰে
জীয়াৰীটি যাচি দিলে।
মধুৱে বুলিলে "নেলাগে দেউতা
ববৰ জীয়াৰী আৰু

সৰু মানুহৰ ছোৱালী এটিকে
আনি চাওকচোন বাৰু।
বৰৰ ন'হৈ সৰুৰ জীয়াৰী
হোৱা হ'লে বউদেও
পাৰিলেহেতেন জানো দেউতাক
এনেটো কৰিব তেওঁ" ?
গোলাপে ভাবিলে হওঁতেও হয়
প্ৰমাণকে হক চোৱা
ৰুদাইক বুলিলে "একো কথা নাই
বিয়া পাতাঁগৈ যোৱা"।
ৰুদায়ে ভাবিলে বহালোঁ বাপেকে
এওঁৰে শহুৰ হ'লোঁ
নগৰত চকী পাবৰ কাৰণে
বাট মোকোলাই ল'লোঁ।
ঢুলীয়া আহিল উৰুলি পৰিল
বামুণে মন্ত্ৰ গালে
গাৱঁৰ মানুহে জলপান খালে
বিয়া হৈ গ'ল ভালে।
নতুন গৃহিণী নোৱাৰিব যাতে
কদাপি অসতী হ'ব

গোলাপ হাকিমে তাৰ বাবে অতি
ধৰিলে যত্ন ল'ব।
চাকৰ নাকৰে দেখিব নেপায়
নিদিয়ে কেনিও যাব
তেওঁৰ বাহিৰে মতা মানুহৰ
ছবিও নিদিয়ে চাব।
বাৰীৰ বাহিৰে কোনোটো মানুহে
দেখে বুলি কোনো ৰূপে
দীঘল দীঘল টিনেৰে চকোৱা
দিয়ালে চাৰিও ধাপে।
হাকিমে পত্নীক চাবি মাৰি থৈ
অফিছ্ কৰিব যায়
তিৰী জাতিটোত যিহেতু মুঠেই
অকণো প্ৰত্যয় নাই।
মুকলি মূৰীয়া গাৱঁৰ জীয়াৰী
ৰূদাই-নন্দিনীয়ে
গুণি থাকে কিয় হাকিমে তেওঁক
নিজান ফাটক দিয়ে।
এনে জীয়াতুৰে কাক ক'ত বাৰু
ক'ত কাল আৰু সুজে ?

সেই গুণে তেওঁ নিজ গাৱঁলৈ
ঘনে ঘনে যাব খোজে।
এই কাৰণতে গোলাপ হাকিমে
খাটাং বুজিলে পাচে
গাৱঁত নিশ্চয় এইৰ কোনোবা
গুপ্ত প্ৰণয়ী আছে।
হাকিমে তেতিয়া বিনা "কৈফিয়তে"
অতি লৰা-লৰি কৰি
নিজ গৃহিণীক ৰুদাইক তুৰন্তে
দিলে "ওৱাপোচ্" ধৰি।
ৰুদায়ে ভাবিলে কাক দোষ দিম
দোষিছোঁ কপাল মোৰ,
এই আখ্যানৰ দ্বিতীয় অধ্যায়
ইয়াতে পৰিল ওৰ।

(৩)

গোলাপে দেখিলে বাঁহতল হ'ল
তেনেই গুচিল ঘৰ
সকলো কথাৰে চিজিল হেৰাল
হ'ল বেমেজালি বৰ।

কেঁৰাই দিয়াহি ডালীৰ বাদাম
থোৱাতে কেনিবা যায়
ভেঁটী পোৱা বৌ বাৰতে ওলমে
তেওঁ শুদা ভাত খায়।
বজাৰৰ মালে আনে মানে নাটে
ধনেই দ'মাই ভাগে
একেটা মালকে প্ৰায়েই সদাই
ডুবাৰো কিনিব লাগে।
গৃহিণী নোহোৱা কাৰণৰে বাবে
ভাগি যায় ঘৰখন
গোলাপে সি হেতু ঘৰ পাতিবৰ
ডুনাই মেলিলে মন।
ছমাহ বিচাৰি চুলঠ্ কৰিলে
ন'গল ছোৱালী পোৱা
সকলোৱে বোলে আমাৰ ছোৱালী
নিদিওঁ উভতি যোৱাঁ।
পাট বাউসীৰ ভজো কলিতাৰ
জীয়েক চেঙ্গেলীদৈ
মুখ চোকা বুলি খোজোতা ন'হল
আছিল থুপৰী হৈ।

বিয়াৰ খৰচ আৰু এহেজাৰ
গা-ধন বুলি ভৰি
গোলাপে শেহত তেওঁকে বিবাহ
কৰাই পেলালে ধৰি।
চেঙ্গেলীয়ে আহি ঘৰ সোমায়েই
নৌ ঘূৰোতেই পষ
মুখৰ বলতে হাকিম জনক
তেনেই কৰিলে বশ।
হাকিমৰ কথা নুশুনে সমূলি
যেনে মন যায় কৰে
দায় দোষ কিবা ধৰিব খুজিলে
পাৰে মানে গালি ধৰে।
আবুৰৰ ধাৰ নেধাৰে মুঠেই
ভূঁদং মূৰেৰে ফুৰে
পুৱা কি গধূলি চিয়ঁৰি চিয়ঁৰি
দিনৌ কাজিয়া কৰে।
হাকিমে শাসন কৰিব খুজিলে
গালি পাৰে আৰু কান্দে
বৰ চাহাবক কওঁগৈ বুলি
বুকুত মেঠনি বান্ধে।

গোলাপে দেখিলে গৃহিণী গৰাকী
নহয় আগৰ দৰে
ভুৰিমুৰি আৰু নোৱাৰি কৰিব
ঠিক নাই কিনো কৰে।
আগৰ দুজনা পত্নীয়ে যদিও
বহু মাৰ-কিল খালে
এওঁ নিতান্ত অনৰ্থ ঘটাব
তেনে ব্যৱহাৰ পালে।
সিহেতু এতিয়া গোলাপ হাকিমে
"নিজত্ব"টো এৰি দিলে
চেঙ্গেলীয়ে মাথো বিৰূপে চলাই
তেনেৰূপে তেওঁ চলে।
তেওঁৰ হাতত এওঁ জানিবা
হ'ল নাকি-লগা ম'হ
পঁচি বুলিলেই পঁচি হৈ পৰে
দহ বুলিলেই দহ।
বাহিৰে ভিতৰে গোলাপৰ মাথোঁ
চেঙ্গেলী মুৰুব্বী হ'ল
চেঙ্গেলী-পদত হাকিম গৰাকী
গ'লি পমি লীন গ'ল।

DISTRICT LIBRARY
১৩০ (HEM BARUA COLLECTION)
TEZPUR.

ৰঞ্জন

হাকিমৰ আৰু ঘৰত এতিয়া
হাকিমালী নাই লেশ
হাকিমা বিষাৰ শেষ অধ্যায়ৰো
এই খিনিতেই শেষ।

অন্ত

PLEASE HANDLE THE BOOK CAREFULLY.

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ৰচিত

ভাগ্যপৰীক্ষা নাটক	... ...	৸৹
মেঘনাদবধ নাটক (তৃতীয় তাঙ্গৰণ ছপা হ'ব ধৰিছে)	...	৸.৹
ৰঞ্জন	... ...	৵৹

তিলোত্তমাসম্ভৱ নাটক (অলপতে ছপা হ'ব)

পাচত ধন দিবলৈ হ'লে, কিতাপ বেচোতাসকলক শতকৰা ১২॥০ টকাকৈ কমিশ্যন দিয়া হয়। কিন্তু হাতে নগদি ২০ খন বা তাৰ ওপৰে কিনিলে, শতকৰা ২০ টকা হিচাবে দিয়া হয়।

পোৱাৰ ঠিকনা—মেনেজাৰ,

দৰ্পণ প্ৰেচ

যোৰহাট, আসাম।

দৰ্পণ প্ৰেচ্

যোৰহাট, আসাম।

দৰ্পণ প্ৰেচলৈ, বহুত ধন খৰচ কৰি, নকৈ নতুন কল-কাৰখানা, নতুন আখৰ, আৰু নতুন চৰঞ্জাম আনি, নতুনকৈ সজা বহল-আহল আৰু সুন্দৰ ঘৰত ছাপাখানা পতা হৈছে। সকলো বস্তুৰেই আজি কালিৰ উন্নত ধৰণৰ। ইয়াত সস্তা দামত সকলো প্ৰকাৰৰ ছপাৰ কাম অতি ধুনীয়াকৈ কৰি দিয়া হয়। এবাৰ পৰীক্ষা কৰি চালেই আপুনি নিশ্চয় সন্তোষ পাব। কিবা জানিব খুজিলে মেনেজাৰলৈ চিঠি লিখক। সকলো চিঠি পত্ৰ আদি তলত লিখা ঠিকনাত লিখিব লাগে :—

মেনেজাৰ,

দৰ্পণ প্ৰেচ্,

যোৰহাট, আসাম।

HANDLE THE BOOK CAREFULLY